www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, OCTOBER 10, 2024 ■ বৃহস্পতিবাৰ।। ২৩ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৭৮ Guwahati, Assam ।। মূল্যঃ এটকা

## আজি মহাসপ্তমী, ৰাজ্যত পূজাৰ উছাহ

**ই-সংবাদ, ৯ অক্টোবৰঃ** বছৰযোৰা অপেক্ষাৰ অন্তত আকৌ আহিল শৰতৰ বিশেষ ক্ষণ। ৫ পৃষ্ঠাত চাওক

## এমাজন, ফ্লিপকাৰ্টৰ গ্ৰাসত স্থানীয় ব্যৱসায়ীৰ হাহাকাৰ

# উকা হ'ল পূজা, ঠিকাদাৰে নাপালে বিল

**ই-সংবাদ, ৯ অক্টোবৰঃ** ৰাজকোষৰ তলি উদং হ'ল অসম চৰকাৰৰ। উৎসৱৰ সময়ত বিত্ত বিভাগে ঠিকাদাৰসমূহৰ বিল মুকলি কৰি দিয়াতো পূৰ্বৰে পৰা পৰম্পৰা চলি আহিছে। চৰকাৰী কাম নিজৰ গাঁঠিৰ ধন ভাঙি সম্পূৰ্ণ কৰাৰ লগতে ঠিকাদাৰসকলে বেংকৰ লগতে অন্যান্য বিত্তীয় প্ৰতিষ্ঠানৰ পৰা উচ্চ নিৰিখত সুদ লৈ নিৰ্দিষ্ট সময়ত কাম সম্পূৰ্ণ কৰি বিল জমা দিয়ে। বিভাগৰ বিলসমূহ বিভাগৰ অভিযন্তাই পৰীক্ষা-নীৰিক্ষা কৰি অনুমোদনৰ বাবে বিত্ত শেষাংশ ৪ পৃষ্ঠাত

## হিতাধিকাৰী আৰু ৰামৰাজ্য

■ শোণিত কুমাৰ গোস্বামী



শাণিত কলম

**স্কুলীয়া কালত** আমি পঢ়া সমাজ বিদ্যাৰ কিতাপবোৰত এই কথাটো পাইছিলোঁ যে আমি বসবাস কৰা দেশখন কল্যাণকামী ৰাষ্ট্ৰ। ভাৰত এখন মহান গণতান্ত্ৰিক দেশ আৰু এই গণতান্ত্ৰিক দেশৰ এটা উল্লেখযোগ্য চৰিত্ৰ হৈছে নাগৰিকৰ প্ৰতি কল্যাণকামিতা। সেয়েহে ভাৰতত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে বিভিন্ন খণ্ডত নাগৰিকৰ হিত সাধনৰ কথা চিন্তা কৰি কল্যাণকামী ৰাষ্ট্ৰৰ পৰিচয় দি আহিছে। দেশৰ শিক্ষা আৰু চাকৰিত সংৰক্ষণ ব্যৱস্থাৰ প্ৰবৰ্তন তেনে এক কল্যাণমূলক চিন্তা।

১৯৪৭ চনত স্বাধীন হোৱা এই দেশখনত বিংশ শতিকাৰ শেষৰভাগলৈ কি হৈছিল সেই কথা এই নিবন্ধত আলোচনা কৰাৰ পৰিৱৰ্তে একবিংশ শতিকাৰ প্ৰথমটো শেষাংশ ২ পৃষ্ঠাত

## এটা যুগৰ অৱসান! ধনৰ লগতে মনেৰেও ধনী ৰতন টাটা গ'লগৈ

**মুম্বাই, ৯ অক্টোবৰঃ** প্ৰতিযোগিতাৰ নিগনি দৌৰত কোনেও কাকো পৰোৱাই নকৰা এই দিনতো মানুহজনে ভাবিছিল মানুহৰ কথা। অলেখ প্ৰাচুৰ্যৰ গৰাকী হৈয়ো তেওঁ যাপন কৰিছিল শেষাংশ ৩ পৃষ্ঠাত



## দুলীয়াজানৰ পূজা মণ্ডপে দিছে গ্ৰন্থৰ সুবাস!

### ষষ্ঠীৰ দিনাই হৈছে ভিৰ

**ই-সংবাদ, দুলীয়াজান, ৬ অক্টোবৰঃ** গ্ৰন্থ অধ্যয়নেহে এটা জাতিক জাতি হিচাপে জীয়াই ৰাখে। কিন্তু আজিৰ প্ৰজন্মৰ মাজত গ্ৰন্থ অধ্যয়নৰ প্ৰতি দেখা গৈছে তেনেই উদাসীনতা। কেৱল শেষাংশ ৩ পৃষ্ঠাত

### ইভিএমৰ চাৰ্জ সন্দৰ্ভত নিৰ্বাচন আয়োগক অভিযোগ

# হাৰিয়ানাক লৈ হতাশ নহয় ৰাহুল

**নতুন দিল্লী, ৯ অক্টোবৰঃ** আকৌ এবাৰ পদুম ফুলিল হাৰিয়ানাত। বিজয়ৰ হেট্ৰিক গঢ়ি পুনৰ এবাৰ চৰকাৰ গঠনলৈ আগবঢ়া বিজেপিৰ জয় যাত্ৰাক লৈ হৰ্ষোল্লাসৰ সৃষ্টি হৈছে কৰ্মী-সদস্যসকলৰ মাজত। মঙলবাৰে ঘোষণা হৈছিল হাৰিয়ানা আৰু জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ ফলাফল। জম্মু-কাশ্মীৰত আসন বাঢ়িলেও ক্ষমতা লাভৰ পৰা বঞ্চিত হোৱা বিজেপিয়ে পিছে হাৰিয়ানাত শেষাংশ ৪ পৃষ্ঠাত

## ৪ জিলাত পুনৰ আফস্পাৰ ম্যাদ বৃদ্ধি

**ই-সংবাদ, ৯ অক্টোবৰঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বিগত ১৯ জানুৱাৰীত শ্বিলঙত উত্তৰ-পূব পৰিষদৰ ৭১ সংখ্যক পূৰ্ণাংগ অধিৱেশনত শেষাংশ ২ পৃষ্ঠাত




দুলীয়াজানত গ্ৰন্থৰ আহিৰে সজোৱা পূজা মণ্ডপত ষষ্ঠীৰ দিনাই দেখা গৈছে ভিৰ

## প্ৰ'টিনৰ গঠন সম্পৰ্কে গৱেষণা কৰা ৩ বিজ্ঞানীলৈ ৰসায়নৰ নোবেল বঁটা

### নোবেল জয়ী বেকাৰৰ আছে অসম সংযোগ!

**ষ্টকহ'ম, ৯ অক্টোবৰঃ** ঘোষণা কৰা হৈছে ২০২৪ বৰ্ষৰ ৰসায়ন বিজ্ঞানৰ নোবেল বঁটা। যৌথভাৱে এইবাৰ এই বঁটা লাভ কৰিছে বিজ্ঞানী ডেভিড বেকাৰ, ডেমিছ হাছাবিছ আৰু শেষাংশ ৫ পৃষ্ঠাত



## ডিগবৈত নৃশংস ঘটনা

## এঘাৰ বছৰীয়া ভতিজীক কুঠাৰেৰে ঘপিয়াই হত্যা

**ই-সংবাদ, চাবুৱা, ৯ অক্টোবৰঃ** হত্যাকাণ্ড এতিয়া আসুৰিক তৃপ্তিৰ অন্যতম মাধ্যম হৈ পৰিছে নেকি? মানসিক অৱস্থা সুস্থ থকা লোকেই হঠাতে হিংস্ৰ হৈ মানুহৰ প্ৰাণ কাঢ়ি লৈছে। সামাজিক শেষাংশ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিতাধিকাৰী আৰু ৰামৰাজ্য

দশকৰ পৰা কেন্দ্ৰ তথা অসমত কিদৰে হিতাধিকাৰী আঁচনি বৃদ্ধি হৈছে সেয়া মন কৰিবলগীয়া। এই কথা সকলোৱে জানে যে ২০০১ চনৰ পৰা ২০১৬ চনলৈ থকা কংগ্ৰেছ দলৰ ৰাজ্য চৰকাৰৰ দিনত শিক্ষাৰ্থীক কম্পিউটাৰ-লেপটপ দিয়াৰ দৰে আঁচনি তদানীন্তন শিক্ষামন্ত্ৰী তথা বৰ্তমান বিজেপি দলৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ তত্তাৱধানাত আৰম্ভ হৈছিল।

২০১৪ চনৰ পৰা দেশৰ শাসনভাৰ চম্ভালি লোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ তৃতীয়টো কাৰ্যকাল চলি আছে। বিগত ১১টা বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে প্ৰায় ৯০০ৰো অধিক আঁচনি চলাই আছে (চৰকাৰী তথ্য https://e-utthaan.gov.in/report/scheme-wise-summary)। এই ৯০০ৰো অধিক আঁচনি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰণালয়ৰ অধীনত চলি আছে। ইমানবোৰ আঁচনিৰ ভিতৰত কেইখনমান সৰ্বাধিক চৰ্চিত আঁচনি যেনে প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন আঁচনি (পিএমজিকেএৱাই), প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা আঁচনি, প্ৰধানমন্ত্ৰী উজ্জ্বলা আঁচনি, জন ধন যোজনা, স্কীল ইণ্ডিয়া মিছন, মেক ইন ইণ্ডিয়া, অটল পেঞ্চন আঁচনি আদি অন্যতম।

কেন্দ্ৰ চৰকাৰৰ সমান্তৰালকৈ বিজেপি শাসিত হওক বা কংগ্ৰেছ শাসিত হওক, প্ৰায়বোৰ ৰাজ্যিক চৰকাৰে একাধিক কল্যাণমূলক আঁচনি নিজাববীয়াকৈও আৰম্ভ কৰিছে। অসমত মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অভিযান আঁচনি, অৰুণোদয় আঁচনি, স্বনিৰ্ভৰ নাৰী আঁচনি, অসম আৰোগ্য নিধি আঁচনি আদি চলি আছে।

হিতাধিকাৰী আঁচনি ঘোষণা কৰাৰ ক্ষেত্ৰত কল্যাণকামী ৰাষ্ট্ৰত কোনো আপত্তি নাই। কিন্তু যেতিয়াই হিতাধিকাৰী আঁচনিয়ে সমাজত




কেতবোৰ প্ৰভাৱ পেলাবলৈ আৰম্ভ কৰে তেতিয়া সেইবোৰে অধিক চৰ্চা পাবলৈ আৰম্ভ কৰে। হিতাধিকাৰী আঁচনিৰ জৰিয়তে প্ৰতিজন হিতাধিকাৰী নাগৰিক সুখী। সেয়েহে এই

জনকল্যাণমূলক হিতাধিকাৰী আঁচনিবোৰ ৰূপায়ন কৰাৰ ক্ষেত্ৰত ৰাজনৈতিক দলৰ চৰকাৰ যথেষ্ট আগ্ৰহী। অনুৰূপ ধৰণে, অসমতো দ্বিতীয়বাৰৰ বাবে শাসনলৈ অহা বিজেপিৰ চৰকাৰে হিতাধিকাৰী আঁচনি প্ৰবৰ্তন কৰাৰ লগতে যথেষ্ট উৎসাহ-উদ্দীপনাৰ মাজেৰে অনুষ্ঠিত কৰি আহিছে।

অলপতে ৰাজ্য চৰকাৰৰ তথ্য আৰু প্ৰচাৰ বিভাগ চমুকৈ জনসংযোগে বাতৰি কাকতত প্ৰকাশ কৰা এক বিজ্ঞাপনে সচেতন নাগৰিকৰ চকু কপালত তুলিছিল। আপোনালোকে জানি আচৰিত হ'ব যে ৰাজ্যত প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন আঁচনিৰ অধীনত ২,৩১,৭০,৫৪৭ হিতাধিকাৰী আছে। ৰাজ্যৰ মুঠ ৬৬,৮৩,৪২০ টা পৰিয়ালৰ ভিতৰত প্ৰায় ২ কোটি ৩১ লাখৰো অধিক লোক বৰ্তমান বিনামূলীয়া অন্ন আঁচনিৰ হিতাধিকাৰী হৈ আছে। ইয়াৰ অৰ্থ কি? প্ৰায় চাৰি তিনি কোটিৰ জনসংখ্যাৰ ৰাজ্যখনত

যদিহে ২ কোটি ৩১ লাখৰো অধিক লোক হিতাধিকাৰী তেন্তে আৰু কি থাকিলগৈ? কথাটো চিন্তা কৰি চাব পাৰে।

এই একেই আঁচনিৰ কেন্দ্ৰীয় চৰকাৰৰ পৰিসংখ্যা আকৌ অধিক উদ্বেগজনক। ২০১১ চনৰ পাছত দেশত লোকপিয়ল হোৱা নাই যদিও দেশৰ জনসংখ্যা শেহতীয়াকৈ ১৩৫ কোটিৰ পৰা ১৪০ কোটি হৈছে বুলি চৰ্চা পোৱা দেখা যায়। তেনে

এখন দেশত কেন্দ্ৰীয় পৰিসংখ্যাই কয় যে, প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন আঁচনিৰ অধীনত দেশত ৮১.৩৫ কোটি হিতাধিকাৰী আছে। শেহতীয়াকৈ এক কেবিনেট সিদ্ধান্ত অনুসৰি এই আঁচনিৰ বাবে কেন্দ্ৰীয় চৰকাৰে আগন্তুক পাঁচ বছৰৰ বাবে ১১.৮০ লাখ কোটি টকা ধাৰ্য কৰিছে।

দেশত বিনামূলীয়া অন্ন যোগানৰ যি পৰিসংখ্যা দেখিলে ভাৰত এখন দৰিদ্ৰ দেশ বুলিয়েই সকলো পতিয়ন যাব। তথাপি সংবাদ মাধ্যম বা সামগ্ৰিক দিশ এই কথাটো অদৃশ্য।

কল্যাণকামী ৰাষ্ট্ৰত শেহতীয়া দশকটোত পুঁজিপুতিৰ উত্থান এক মন কৰিবলগীয়া সামাজিক পৰিৱৰ্তন। এই দেশৰ ৮০ কোটিৰো অধিক লোকে চৰকাৰী বিনামূলীয়া অন্নৰ বাবে ৰৈ থাকিব পাৰে কিন্তু এই দেশৰে এক শতাংশ পুঁজিপতি এতিয়া বিশ্বৰ অন্যতম ধনীক শ্ৰেণী।

হিতাধিকাৰী আঁচনি বেয়া বুলি আমি ক'ব নোৱাৰো কিয়নো কেন্দ্ৰীয়-ৰাজ্য চৰকাৰৰ অনেক হিতাধিকাৰী আঁচনিয়ে দেশৰ নাগৰিকক বিভিন্ন দিশত আগবাঢ়ি যোৱাৰ ক্ষেত্ৰতো সহায় কৰি আছে। তথাপি সম্পদৰ ওপৰত একাংশ ধনী পুঁজিপতিৰ অধিকাৰৰ জৰিয়তে বৃহত্তৰ জনগাঁথনি দাৰিদ্ৰতাৰ সৈতে যুঁজ দি থাকিব, সেই কথাটো কেতিয়াও গ্ৰহণযোগ্য নহয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৪ জিলাত পুনৰ আফস্পাৰ ম্যাদ

গৃহমন্ত্ৰী শ্বাহে দাবী কৰি কৈছিল যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যোৱা ১০ বছৰ উত্তৰ-পূৱৰ বাবে এক সোণালী সময়। উত্তৰ-পূৱত শান্তি আৰু স্থিৰতা আনিবলৈ মোদী চৰকাৰে ৯ খন চুক্তি স্বাক্ষৰ কৰিছে। আইন-শৃংখলা সম্পৰ্কীয় বহু অমীমাংসিত সমস্যা সফলতাৰে সমাধান কৰিছে। অসম আৰু মণিপুৰৰ কিছু অংশৰ বাহিৰে ৭৫ শতাংশ অঞ্চলৰ পৰা আফস্পা আঁতৰ কৰা হৈছে। ৯ মাহ পূৰ্বে দেশৰ গৃহমন্ত্ৰীয়ে এই দাবী কৰিছিল যদিও পুনৰ সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইনৰ সময় বৃদ্ধি কৰিলে কেন্দ্ৰীয় চৰকাৰে। আগন্তুক ছয়মাহলৈ 'অশান্ত অঞ্চল' হিচাপে ঘোষণা কৰি চাৰিখন জিলাত আফস্পাৰ সময় বৃদ্ধি কৰিলে কেন্দ্ৰীয় চৰকাৰে। এইবাৰ দোহাই দিয়া হৈছে বাংলাদেশৰ পৰিস্থিতিক। উজনিৰ ৰাজ্যিক তথা ৰাষ্ট্ৰীয় সীমান্তৱৰ্তী তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ আৰু শিৱসাগৰ জিলাত কাৰ্যকৰী কৰা

হ'ব এই নিৰ্দেশনা। কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰা এক নিৰ্দেশনাত বাংলাদেশৰ পৰিস্থিতি আৰু আভ্যন্তৰীণ আইন-শৃংখলা পৰিস্থিতিক আধাৰ কৰি চাৰিখন জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ ছয় মাহৰ বাবে বৃদ্ধি কৰা হৈছে বুলি উল্লেখ কৰিছে। এই নিৰ্দেশনাৰ ভিত্তিত আগন্তুক ছয়মাহলৈ জিলা চাৰিখন 'অশান্ত অঞ্চল' হিচাপে পৰিগণিত হৈ থাকিব বুলি জাননীখনত কোৱা হৈছে। এই নিৰ্দেশনাৰ পাছতে উজনিৰ এই চাৰি জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতাৰ অধীনত 'অশান্ত অঞ্চল' হৈ থাকিব। ১ অক্টোবৰৰ পৰা আৰু ছয় মাহলৈ বাহাল থাকিব। ১৯৯০ চনত অসমত প্ৰথমবাৰ আফস্পা বলৱৎ কৰা হৈছিল। তেতিয়াৰ পৰাই প্ৰতি ছয়মাহৰ মূৰে মূৰে ম্যাদ বৃদ্ধি কৰি থকা হৈছে। নিৰাপত্তা বাহিনীক যিকোনো স্থানত, যিকোনো পৰ্যায়ত অভিযান আৰু সন্দেহ হ'লে গ্ৰেপ্তাৰ কৰা বন্দী কৰাৰ

ক্ষমতা দিয়ে। কিন্তু ১৯৯০ চনৰ পৰাই অসমৰ ৰাইজে এই ক'লা আইনখন সম্পূৰ্ণ ৰূপে প্ৰত্যাহাৰ কাৰৰ দাবীত আন্দোলন কৰি আহিছে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মায়ো উত্তৰ-পূৰ্বাঞ্চলত স্থায়ী শান্তি অহাৰ দাবী কৰি আহিছে। কিন্তু বিগত এটা বছৰে মণিপুৰ জ্বলি আছে। ইপিনে অসমৰ চাৰিখন জিলাত পুনৰবাৰ ছয়মাহৰ বাবে আফস্পাৰ ম্যাদ বৃদ্ধি কৰাত ভিন্ন মহলত দেখা গৈছে মিশ্ৰিত প্ৰতিক্ৰিয়া। বিশেষকৈ মুখ্যমন্ত্ৰীয়ে অসমত সম্প্ৰতি শান্তি বিৰাজ কৰিছে বুলি সময়ে সময়ে দাবী কৰি অহাৰ পিছতো কিয় ৪খনকৈ জিলাত আফস্পাৰ ম্যাদ বৃদ্ধি কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হ'ল সেই লৈ প্ৰশ্ন উত্থাপিত হৈছে। প্ৰকৃততে মুখ্যমন্ত্ৰীয়ে দাবী কৰি অহাৰ দৰে ৰাজ্যত শান্তিময় পৰিৱেশে বিৰাজ নাই কৰা বাবেই পুনৰ অশান্ত অঞ্চল ঘোষণা কৰিবলগীয়া হৈছে বুলিও ভিন্নজনে আজি মন্তব্য কৰা দেখা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দুলীয়াজানৰ পূজা মণ্ডপে

আনন্দ-উল্লাসেই জীৱন নহয়। জীৱনক মধুৰ কৰি তুলিবলৈ হ'লে, সমাজখনক সুস্থিৰ কৰি তুলিবলৈ হ'লে গ্ৰন্থ অধ্যায়ন অপৰিহাৰ্য। এই কথা যাতে সকলোৱে উপলব্ধি কৰি তুলিব পাৰে তাৰ বাবে এইবাৰ অসমীয়া সাহিত্যৰ বাচকবনীয়া গ্ৰন্থ সম্ভাৰেৰে সজাই তোলা গৈছে দুলীয়াজানৰ এটা পূজা মণ্ডপ। দুলীয়াজানৰ জয়ানগৰস্থিত শ্বহীদ ভৱনৰ সন্মুখভাগত দুলীয়াজান যুৱ সংঘই দ্বিতীয় বৰ্ষৰ বাবে অনুষ্ঠিত কৰা দুৰ্গা পূজাৰ মণ্ডপ নিৰ্মাণ কৰা হৈছে বিভিন্ন অসমীয়া গ্ৰন্থৰে। আকৰ্ষণীয় ৰূপত পুথিভঁৰালৰ আৰ্হিৰে প্ৰস্তুত কৰা এই পূজা মণ্ডপে ইতিমধ্যে খলকনি লগাইছে ৰাজ্যজুৰি। জ্যোতিপ্ৰসাদ আগৰৱালা, পদ্মনাথ গোহাঞিবৰুৱা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, ড০ লীলা গগৈ, মহেশ্বৰ নেওগ, চৈয়দ আব্দুল মালিক, মামনি ৰয়চম গোস্বামী, হোমেন বৰগোহাঞি, বাণীকান্ত কাকতি, হীৰেণ গোহাঁই, নগেন শইকীয়া, য়েছে দৰজে ঠংচি, নীলমণি ফুকন আদিৰ দৰে অসমীয়া সাহিত্য জগতৰ দিগ্বজ সাহিত্যিকৰ পৰা আৰম্ভ কৰি ড০ প্ৰফুল্ল মহন্ত, ৰীতা চৌধুৰী, মণিকুন্তলা ভট্টাচাৰ্য, মনালিছা শইকীয়ালৈকে ন-পুৰণি প্ৰায় সকলো শ্ৰেণীৰ সাহিত্যিকৰ জনপ্ৰিয় আৰু ধ্ৰুপদী গ্ৰন্থৰ আৰ্হিৰে সজাই তোলা হৈছে পূজা মণ্ডপটো। সেইদৰে মণ্ডপটোৰ অৰ্ন্তভাগ সজাই তোলা হৈছে বহুকেইজন বিশিষ্ট সাহিত্যিকৰ আলোকচিত্ৰৰে। দুলীয়াজান যুৱ সংঘৰ সভাপতি পাৰ্থজিৎ ভূঞা, কাৰ্যকৰী সভাপতি প্ৰাঞ্জল শইকীয়া আৰু বিপ্লৱ গগৈ, যুটীয়া সম্পাদক আব্দুল ছাত্তাৰ আৰু আদিত্য ফুকনৰ লগতে আছুৰ সদ্যপ্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাসহ বহুকেইজন গণ্যমান্য ব্যক্তিৰ পৰিকল্পনাৰে সম্পূৰ্ণ স্থানীয় শিল্পীয়ে এই মণ্ডপটো সমুজ্জ্বল ৰূপত সজাই তুলিছে। আজি ষষ্ঠীৰ দিনাৰে পৰা এই ব্যতিক্ৰমী পূজা মণ্ডপটো প্ৰত্যক্ষ কৰিবলৈ বহু লোকে দুলীয়াজানত ভিৰ কৰা পৰিলক্ষিত হৈছে। পূজাৰ প্ৰথম দিনটোতেই তৈলনগৰীখনৰ বহু বাসিন্দাই পূজামণ্ডপলৈ অহা দেখা গৈছে। নৱ- প্ৰজন্মৰ মাজত ক্ৰমশঃ কমি অহা গ্ৰন্থ অধ্যয়নৰ স্পৃহা কিছু পৰিমাণে হ'লেও জগাই তুলিব পৰাতে এই অগতানুগতিক আয়োজন সাৰ্থক হ'ব বুলি মত প্ৰকাশ কৰিছে উদযাপন সমিতিৰ সভাপতি তথা দুলীয়াজান মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক মৃন্ময় কুমাৰ বৰুৱাই। বিপন্ন সময়, ধন্য নৰ তনু ভাল, লভিতা, যাকেৰি নাহিকে উপাম, নৃত্যৰতাপৃথিৱী, ছিন্নমস্তাৰ মানুহটো, অসমীয়া সাহিত্যৰ ৰূপৰেখা, তত্ত্বকথা, জীৱনৰ দীঘ আৰু বাণি, অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা, পুৰণি অসমীয়া সাহিত্য, মৌন ওঁঠ মুখৰ হৃদয় আদি যুগজয়ী অসমীয়া গ্ৰন্থৰ বৃহৎ গ্ৰন্থৰ আৰ্হি কলেৱৰেৰে সমৃদ্ধ পূজা মণ্ডপটোৱে অন্য এক জাগৰণৰ সৃষ্টি কৰিব বুলি আশা প্ৰকাশ কৰিছে উদযাপন সমিতিৰ সম্পাদক দ্বয় প্ৰদীপ ছেত্ৰী আৰু সীমান্ত পূজাৰীয়ে। গাম্ভীৰ্যপূৰ্ণ আৰু ব্যতিক্ৰমী চিন্তাধাৰাৰে আয়োজন কৰা এই পূজা মণ্ডপটো সমাজ ব্যৱস্থাত ইতিবাচক চিন্তাৰ ফচল হিচাপে বিবেচিত হৈছে বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# এটা যুগৰ অৱসান! ধনৰ লগতে

সাধাৰণ জীৱন। যিসময়ত সফলতাৰ শিখৰত আৰোহণ কৰা অধিকাংশই হাজাৰ-বিজাৰ বিতৰ্কৰ আৱৰ্তত সোমাই পৰে সেই সময়তো তেওঁ হৈ ৰৈছিল সম্পূৰ্ণৰূপে নিষ্কলংক। যি ৮৬টা বছৰ পৃথিৱীত পাৰ কৰিলে, তাৰ সৰহভাগ সময়তে তেওঁ লাভ কৰিছে সকলোৰে সমাদৰ। তেওঁৰ অসুস্থতাৰ খবৰ পোৱা মাত্ৰকে উদ্বিগ্নতাৰে দিন কটাইছিল লক্ষ লক্ষ অনুৰাগীৰ লগতে সমগ্ৰ দেশবাসীয়ে। অৱশেষত সেই আশংকাই সত্য প্ৰমাণিত হ'ল আজি নিশা প্ৰায় ১১.৩০ বজাত। শেষ নিশ্বাস ত্যাগ কৰিলে ভাৰতীয় উদ্যোগজগতৰ উজ্জ্বল ৰত্ন ৰতন টাটা। বয়সৰ ওচৰতো মূৰ্তৈই হাৰ নমনা লোকজনক যেতিয়াই সামাজিক মাধ্যমত বিগত কিছুদিন ধৰি খোজ কাঢ়োতে সামান্য অসুবিধাৰ সন্মুখীন হোৱা দেখিছিল তেতিয়াই উদ্বিগ্ন হৈ পৰিছিল অনুৰাগীসকল। ইয়াৰ পিছতে অসুস্থতাৰ খবৰ লাভ কৰাত অনুৰাগীসকলৰ সেই উদ্বিগ্নতা অধিক হৈ পৰিছিল। তাৰ মাজতেই নিজে ছ'চিয়েল মিডিয়াযোগে সকলোকে আশ্বস্ত কৰি ৰটন টাটাই কৈছিল যে তেওঁ ভালে-কুশলে আছে। জনাইছিল যে বাৰ্ধক্যজনিত কাৰণত ৰুটিন চেকআপৰ বাবেহে তেঁও চিকিৎসালয়লৈ আহিছে। তেওঁক লৈ উদ্বিগ্ন হোৱাৰ কোনো কাৰণ নাই। এই আশ্বাস পাই অনুৰাগীসকলেও এৰিছিল স্বস্তিৰ নিশ্বাস। কিন্তু বুধবাৰে সন্ধিয়াৰ পিছতে বুজা গৈছিল যে পৰিস্থিতি ইমান এটা ভাল নহয়। ৰতন টাটাৰ ঘনিষ্ঠ সহযোগীয়ে প্ৰথমে সংবাদ সংস্থা আইএএনএছৰ আগত কয় যে মুম্বাইৰ ব্ৰিচ কেণ্ডি হাস্পতালত ৰুটিন চেকআপৰ বাবে ৰতন টাটা আহিছিল। কিন্তু স্বাস্থ্যৰ অৱনতি ঘটাত তেওঁক সংকটজনক অৱস্থাত 'আইচিইউ'ত ভৰ্তি কৰা হৈছে। টাটা গ্ৰুপৰ সৈতে একাধিক সংবাদ মাধ্যমে এই সম্পৰ্কে যোগাযোগ কৰাত তেওঁলোকে খবৰটো স্বীকাৰ কৰা নাছিল যদিও অস্বীকাৰো কৰা নাছিল। বৃহস্পতিবাৰে এই লৈ টাটা গ্ৰুপৰ পৰা বিবৃতি দিয়া হ'ব বুলিও ঘোষণা কৰা হৈছিল। টাটা গ্ৰুপৰ এই ঘোষণাৰ সময়তে ৰটন টাটাই যে মৃত্যুৰ সৈতে যুঁজি আছে সেই খবৰ সামান্যকৈ আহিবলৈ আৰম্ভ কৰে। অৱশেষত আশংকা অনুযায়ীয়েই ৰতন টাটাৰ মৃত্যুৰ সংবাদ আহি পৰে। ১৯৩৭ চনৰ ২৮ ডিচেম্বৰত মুম্বাইৰ এটা পাৰ্চী পৰিয়ালত জন্ম হৈছিল ৰতন টাটাৰ। পিতৃ নভল টাটৰ জন্ম গুজৰাটৰ ছুৰাটত। পিছলৈ টাটা পৰিয়ালে তেওঁক দত্তক হিচাপে লয়। ৰতন টাটাৰ মাতৃ ছুনি টাটা আকৌ পোনপটীয়াকৈ জামছেদজি টাটাৰ পৰিয়ালৰ অংশ। ৰতন টাটাৰ পিতামহ হৰমছজি টাটা জন্মসূত্ৰেই সেই পৰিয়ালৰ সদস্য। ৰতন টাটাৰ যেতিয়া ১০ বছৰ হৈছিল, তেতিয়াই তেওঁৰ মাতৃ আৰু পিতৃৰ বিচ্ছেদ ঘটে। ৰতন টাটাৰ নিজৰ এগৰাকী ভাতৃ আছে। তেওঁৰ নাম জিমি টাটা। ছিমন টাটাৰ সৈতে হোৱা পিতৃৰ দ্বিতীয় বিবাহ সূত্ৰে তেওঁৰ সতীয়া ভাতৃ এগৰাকীও আছে। সতীয়া ভাতৃগৰাকীৰ নাম নোয়েল টাটা। মুম্বাই, চিমলা হৈ নিউয়ৰ্কৰ ৰিভাৰডেল কাণ্ট্ৰি স্কুললৈ পঢ়িবলৈ গৈছিল ৰতন টাটা। ১৯৫৯ চনত স্থাপত্য বিদ্যা অধ্যায়নৰ বাবে তেওঁ কৰ্ণেল ইউনিভাৰ্ছিটিত নাম ভৰ্তি কৰে। পৰৱৰ্তী সময়ত টাটা গ্ৰুপৰ মেনেজাৰ স্তৰৰ দায়িত্ব লাভ কৰে ৰতন টাটাই। ১৯৯১ চনত জেআৰডি টাটাই টাটা ছন্সৰ দায়িত্ব ত্যাগ কৰি ৰতন টাটাক নিজৰ উত্তৰাধিকাৰী ঘোষণা কৰে। প্ৰথমে এই লৈ সংস্থাৰ ভিতৰচ'ৰাত কিছু আপত্তি আছিল যদিও পিছলৈ ৰতন টাটাৰ গ্ৰহণযোগ্যতা বৃদ্ধি পাবলৈ লয়। যি সময়ছোৱাত ৰতন টাটাৰ হাতত টাটা গ্ৰুপৰ দায়িত্ব আছিল সেই সময়ছোৱাত সংস্থাটোৰ আয় ৪০ গুণ বৃদ্ধি পায় আৰু লাভ বৃদ্ধি হয় ৫০ গুণ। দেশৰ মধ্যবিত্তক চাৰি চকীয়া গাড়ীৰ গৰাকী হোৱাৰো সপোন দেখুৱাইছিল ৰতন টাটাই। ২০১২ চনত ৭৫ বছৰ বয়সত টাটা গ্ৰুপৰ কাৰ্যনিৰ্বাহকৰ ক্ষমতাৰ পৰা আঁতৰি আহে ৰতন টাটা। সেই ঠাইত পৰিয়ালৰ ঘনিষ্ঠ চাইৰাছ মিস্ত্ৰিক দায়িত্ব দিয়া হয়। ২০১৬ চনত টাটা ছন্সৰ অধ্যক্ষ পদৰ পৰা মিস্ত্ৰীক আঁতৰাই অন্তৰৰ্তীকালীন দায়িত্ব গ্ৰহণ কৰে টাটাই। ইয়াৰ পিছত ২০১৭ চনত নটৰাজন চন্দ্ৰশেখৰণক টাটা ছন্সৰ অন্তৰ্ৱৰ্তীকালীন অধ্যক্ষ হিচাপে দায়িত্ব দিয়া হয়। বয়সৰ লগে লগে পূৰ্বতকৈয়ো অধিকভাৱে ৰতন টাটাই সমাজসেৱামূলক কামত মনোনিৱেশ কৰিবলৈ আৰম্ভ কৰে। ২০০০ চনত পদ্মভূষণ আৰু ২০০৮ চনত পদ্মবিভূষণ সন্মানেৰে সন্মানিত হয় ৰতন টাটা। মহাৰাষ্ট্ৰ, অসম চৰকাৰৰ তৰফৰ পৰাও ৰটন টাটাক বিশেষ সন্মান প্ৰদান কৰা হৈছে। ২০২১ চনত ৰতন টাটাক অসম চৰকাৰে প্ৰদান কৰিছিল অসম বৈভৱ বঁটা। ২০২২ চনৰ ২৮ এপ্ৰিলত ডিব্ৰুগড়ত টাটা গ্ৰুপৰ সহযোগত ৰাজ্যৰ ভিন্ন প্ৰান্তত নিৰ্মাণ কৰা কৰ্কট প্ৰতিষ্ঠানৰ মুকলি অনুষ্ঠানত ভাগ ল'বলৈ তেওঁ অসমলৈ আহিছিল। কেমব্ৰিজ বিশ্ববিদ্যালয়, লণ্ডন স্কুল অব ইকনমিক্স, আইআইটি বম্বে, য়েল বিশ্ববিদ্যালয়, ৰাণী দ্বিতীয় এলিজাবেথ, ৰজা তৃতীয় চাৰ্লছেও ৰতন টাটাক বিশেষভাৱে সন্মানিত কৰিছে। ৰতন টাটা আজীৱন অবিবাহিত হৈয়েই ৰয়। অৱশ্যে ২০১১ চনত এক সাক্ষাৎকাৰত তেওঁৰ জীৱনলৈও প্ৰেম অহাৰ কথা স্বীকাৰ কৰিছিল। চাৰিবাৰকৈ বিয়াৰ যো-জা চলিছিল যদিও শেষত বিয়া কৰোৱা হৈ নুঠিল বুলিও সাক্ষাৎকাৰটোত উল্লেখ কৰিছিল ৰতন টাটাই। বৈবাহিক সম্পৰ্কত আৱদ্ধ নহ'লেও কোটি কোটি মানুহৰ ভালপোৱা আৰু আশীৰ্বাদেৰে মহীয়ান হৈ পৰিছিল ধনৰ লগতে মনেৰেও ধনী ৰতন টাটাৰ জীৱন। আজি তেওঁৰ মৃত্যুৰ বাতৰি পোৱা মাত্ৰকে সমগ্ৰ দেশতে শোকৰ ছাঁ পৰিছে। ৰতন টাটাৰ মৃত্যুত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিৰোধী দলপতি ৰাহুল গান্ধীয়ে গভীৰ শোক প্ৰকাশ কৰি দেশে এগৰাকী অমূল্য ৰত্ন হেৰুৱাইছে বুলি মন্তব্য কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হাৰিয়ানাক লৈ হতাশ নহয় ৰাহুল

পুনৰ এবাৰ লাভ কৰে নিৰংকুশ সংখ্যাগৰিষ্ঠতা। লক্ষণীয় যে ফলাফলৰ পূৰ্বে প্ৰকাশিত বিভিন্ন সংস্থাৰ এগজিট প'লৰ দৰে হাৰিয়ানাত কংগ্ৰেছৰ জোৱাৰ নুঠিলেও বিগত নিৰ্বাচনৰ তুলনাত এইবাৰ কংগ্ৰেছৰো আসন ৰাজ্যখনত বৃদ্ধি পাইছে। হাৰিয়ানা আৰু জম্মু-কাশ্মীৰৰ নিৰ্বাচনৰ ফলাফল ঘোষিত হোৱাৰ পিছতে এই দুই নিৰ্বাচনক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে কংগ্ৰেছৰ সাংসদ তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে। বুধবাৰে এক্স হেণ্ডেলত ৰাহুল গান্ধীয়ে লিখিছে, 'জম্মু-কাশ্মীৰৰ জনসাধাৰণৰ প্ৰতি কৃতজ্ঞ। তাত এই বিজয় সংবিধানৰ বিজয়, গণতন্ত্ৰৰ বিজয়।'' নিৰ্বাচনী ফলাফলক লৈ হতাশ হ'বলগীয়া একো নাই বুলি উল্লেখ কৰি ৰাহুল গান্ধীয়ে লগতে কয়, 'আমি হাৰিয়ানাৰ নিৰ্বাচনৰ অভাৱনীয় ফলাফল বিশ্লেষণ কৰি আছো। বিভিন্ন বিধানসভা সমষ্টিৰ পৰা অহা অভিযোগবোৰ নিৰ্বাচন আয়োগক আমি অৱগত কৰিম। হাৰিয়ানাৰ ৰাইজৰ সহায় সহযোগিতাৰ বাবে ধন্যবাদ। আমাৰ কৰ্মীসকলক ধন্যবাদ, যিয়ে অক্লান্তভাৱে কাম কৰিছিল। অধিকাৰৰ বাবে, সত্যৰ বাবে যুঁজ চলি থাকিব।'' মন কৰিবলগীয়া যে, ২০১৯ৰ নিৰ্বাচনৰ তুলনাত এইবাৰ হাৰিয়ানাত আসনৰ সংখ্যা বৃদ্ধি পাইছে বিজেপিৰ। এইবাৰৰ নিৰ্বাচনত গেৰুৱা বাহিনীয়ে ৯০খন আসনৰ ভিতৰত ৪৮খন আসন লাভ কৰাৰ বিপৰীতে ৩৭ খন আসনতে সন্তুষ্টি লভিবলগীয়া হয় কংগ্ৰেছে। ৰাজনৈতিক মহলৰ এটা অংশৰ মতে, এই নিৰ্বাচনত কংগ্ৰেছে হাৰিয়ানাৰ জাট নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ সিঙৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখিছিল। স্থানীয় নেতাৰ ওপৰত ভৰষা ব্যক্ত কৰি প্ৰচাৰৰ পৰা আঁতৰি আছিল ৰাষ্ট্ৰীয় নেতাসকল। কংগ্ৰেছৰ পৰাজয়ৰ এয়া এক অন্যতম কাৰণ বুলি মন্তব্য কৰিছে বিশ্লেষকসকলে। অন্যহাতে জম্মু-কাশ্মীৰত কংগ্ৰেছে কেৱল ৭ খন আসন লাভ কৰিবলৈ সক্ষম হ'লেও মিত্ৰদল নেশ্যনেল কনফাৰেন্সে লাভ কৰা ৪২ খন আসনৰ জৰিয়তে এতিয়া কংগ্ৰেছেও ক্ষমতাৰ সোৱাদ লাভ কৰাৰ আশা কৰা হৈছে। এই নিৰ্বাচনত জম্মু-কাশ্মীৰত বিজেপিয়ে ২৯ খন আসন লাভ কৰাৰ বিপৰীতে পিডিপিয়ে ৩ খন আৰু অন্যান্য প্ৰাৰ্থীয়ে ৯ খন আসন লাভ কৰে। ইফালে, কংগ্ৰেছে আজি নিৰ্বাচন আয়োগৰ ওচৰত ইভিএমৰ বেটাৰীৰ ৯৯ শতাংশ চাৰ্জ থকা বিষয়টোক লৈ অভিযোগ দাখিল কৰে। উল্লেখ্য যে ভোট গ্ৰহণৰ পিছত আৰু ভোট গণনাৰ সময়ত ইভিএমৰ বেটাৰীৰ চাৰ্জৰো হিচাপ ৰখা হয়। কিন্তু হাৰিয়ানা বিধানসভাৰ বোট গণনাৰ সময়ত একাধিক ইভিএমৰ বেটাৰীৰ চাৰ্জ ৯৯ শতাংশ হৈ আছিল। গোটেই দিনটো পুৱাৰ পৰা সন্ধিয়ালৈ ভোট গ্ৰহণ হৈ থকা মেচিন এটাত কিদৰে ভোট গণনাৰ দিনটোলৈ ৯৯ শতাংশ চাৰ্জ থাকিব পাৰে বুলি এতিয়া নিৰ্বাচন আয়োগক প্ৰশ্ন কৰি অভিযোগ দাখিল কৰে কংগ্ৰেছৰ এটা প্ৰতিনিধি দলে। বিষয়টো সন্দৰ্ভত পতিয়নযোগ্য উত্তৰ দিবলৈ নিৰ্বাচন আয়োগক দাবী জনাইছে বিৰোধী দলটোৱে। উল্লেখ্য যে ভোট গণনাৰ সময়ত বহু কেন্দ্ৰত ইভিএমক লৈ খেলিমেলি ধৰা পৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উকা হ'ল পূজা, ঠিকাদাৰে নাপালে

বিভাগলৈ প্ৰেৰণ কৰে। এইবাৰ বাজেট আৰু চিলিং থকাৰ পিছতো বিত্ত বিভাগে কোনো বিভাগৰে বিল মুকলি কৰি নিদিলে। ইয়াৰ অৰ্থটোৱেই হ'ল ৰাজকোষৰ তলি উদং কৰিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। বিভিন্ন ধৰ্ৰণৰ হিতাধিকাৰী আঁচনিৰ যোগেদি নিজৰ ৰাজনৈতিক স্থিতি শক্তিশালী কৰাৰ স্বাৰ্থত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানৰ পৰা সপ্তাহে সপ্তাহে ঋণ লোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমত বিত্তীয় সংকট নাই বুলি ৰাজহুৱাকৈ ঘোষণা কৰি আহিছে যদিও কোনো এটা বিভাগৰেই ঠিকাদাৰে বিল নোপোৱা কথাটোৱে তেওঁ যে মিথ্যাচাৰৰ আশ্ৰয় লৈছে সেই কথা প্ৰমাণিত কৰে। ইপিনে ঠিকাদাৰে বিল নোপোৱাত হাজাৰ হাজাৰ লোকৰ দুৰ্গা পূজাৰ আনন্দ ম্লান পৰিছে। মা দুৰ্গাৰ ধৰালৈ আহিছে। মানুহে সুখ, শান্তি আৰু আৰ্থিক সমৃদ্ধি কামনা কৰি দেৱী দুৰ্গাক আৰাধনা কৰিবলৈ সাজু হৈছে। কিন্তু ৰাজ্যৰ হাজাৰ হাজাৰ লোকে আৰ্থিক অনাটনত সময় কটাইছে। আৰ্থিক দীনতা এনে পৰ্যায়লৈ গৈছে যে আজি আধা কিলো জিলাপী কিনিবলৈ এশবাৰ ভাৱিবলগীয়া হৈছে অসংখ্যজনে। অভাৱগ্ৰস্ততাৰ ফলত উৎসৱৰ বতৰতো মানুহে সৰিয়হৰ ফুল দেখিছে। বজাৰত ভিৰ পূৰ্বৰ দৰে নাই। থলুৱা দোকানীৰ মুখে মুখে মন্দা অৱস্থাৰ কথা। ইয়াৰ আঁৰৰ কাহিনী কি? এই কাহিনী ঠিকাদাৰৰ। এই কাহিনীত আছে ছাছপেন্স, ইমোশ্যন। কিয়নো খালী হাতে আছে ৰাজ্যখনৰ ঠিদাকাৰসকল। ৰাজ্য চৰকাৰে দুৰ্গা পূজা বুলি এটাকাও বিল মুকলি কৰি নিদিলে ঠিকাদাৰক। বিল নোপোৱা ঠিকাদাৰৰ হাতত টকা নাই। ঠিকাদাৰৰ হাতত টকা নাই মানেই বজাৰত ব্যৱসায় হ্ৰাস হোৱাতো স্বাভাৱিক। ঠিকাদাৰৰ হাতত টকা আহিলেই বজাৰত নগদ ধন উভৈনদী হৈ পৰে। উপ-ঠিকাদাৰ, মেনেজাৰ, শ-শ শ্ৰমিক, হাৰ্ডৱেৰ দোকানীৰ হাতলৈ যায় কোটি কোটি টকা। বিশেষকৈ শ্ৰমিকৰ হাতলৈ টকা যোৱাৰ লগে লগে বজাৰত ভিৰ বাঢ়ে। ভিৰ বাঢ়িলে বিক্ৰী বাঢ়ে। কিন্তু ঠিকাদাৰৰ হাত খালী মানেই হাজাৰ হাজাৰ কৰ্মচাৰী-শ্ৰমিকৰ হাত খালী। তাৰ মানেই বজাৰৰ মন্দাৱস্থা। বজাৰত এনে পৰিস্থিতি দেখা গৈছে। আজি সৰু সৰু ঠিদাকাৰে গাড়ী বিক্ৰী কৰি সুদত লোৱা টকাৰ ধাৰ মাৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে। বহু ঠিকাদাৰে শ্ৰমিকক টকা দিব নোৱাৰি মোবাইল ছুইটছ অফ কৰি অন্তৰ্ধান হৈ আছে। আনৰ পৰিয়ালৰ মুখত হাঁহি বিৰিঙোৱা ঠিকাদাৰৰ ঘৰৰ উজ্জলতা ম্লান পৰিছে। আজি ঠিকাদাৰী সংস্থাত কৰ্মৰত শ্ৰমিকসকলক হাতত সন্তানক হাঁহিমুখে এটা বেলুন কিনি দিবলৈ টকা নাই। ঠিকাদাৰক বিল নিদি অসমৰ হাজাৰ হাজাৰ মানুহৰ মুখৰ পৰা হাঁহি কাঢ়ি নিলে চৰকাৰে। পকেটত ফুটা কড়ি নথকাত শ্ৰমিকৰ বাবে কঙাল এইবাৰৰ দুৰ্গা পূজা। কথাতে কোৱা হয় ৰাজ্যৰ সামগ্ৰিক আৰ্থিক ব্যৱস্থা নিয়ন্ত্ৰণ কৰে ৰাজ্যৰ ঠিকাদাৰৰ বিলে। যেতিয়া শাৰদীয় দুৰ্গোৎৱৰ সময়তে ঠিকাদাৰৰ বিল নাপায় তেন্তে বজাৰৰ অৱস্থাও হৈ পৰে তথৈবচ। ঠিকাদাৰৰ সমান্তৰালভাৱে চহৰে-নগৰে থকা কাপোৰৰ ব্যৱসায়ীসকলৰো অৱস্থা শোচনীয় হৈ পৰিছে। পূৰ্বতে পূজা বুলিলেই সৰু-বৰ কাপোৰৰ দোকানত এমাহৰ আগৰে পৰা আৰম্ভ হৈছিল গ্ৰাহকৰ ভিৰ। কিন্তু এতিয়া মহানগৰীৰ লগতে মফচলীয় চহৰ তথা গ্ৰামাঞ্চলকো এমাজন, ফ্লিপকাৰ্টৰ দৰে বহুজাতিক ই-কমাৰ্চ কোম্পানীসমূহে সামৰি লোৱাৰ ফলত এনে দোকানসমূহত লালবাটি জ্বলাৰ উপক্ৰম হোৱা দেখা গৈছে। পূজাৰ বতৰতো বহু কাপোৰৰ দোকানীয়ে এজন গ্ৰাহকৰ অপেক্ষাত পাৰ কৰিবলগীয়া হৈছে দিন।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এঘাৰ বছৰীয়া ভতিজীক কুঠাৰেৰে

পৰিৱেশ বিনষ্ট কৰি ৰাজ্যৰ একাংশ লোকে কৰি গৈছে কি সেয়া ভাবি মানুহৰ বিবেক দংশন হৈছে। একাংশ লোকে হত্যা-হিংসাত লিপ্ত হ'বলৈ কুণ্ঠাবোধ নকৰা হৈছে। অসহিষ্ণু লোকে কণমানিকো বেত্ৰঘাত কৰি হত্যা কৰিবলৈ লৈছে। এইবাৰ নিজ পৰিয়ালৰে কণমানিক হত্যা কৰিছে এজন লোকে। নৃশংসভাৱে হত্যা কৰিছে নিজ ভতিজীক। এই ঘটনা সংঘটিত হৈছে ডিগবৈৰ এখন চাহ বাগিচাত। ডিগবৈৰ পাৰৈ চাহ বাগিচাৰ ৩নং লাইনৰ মিঠুন ভূমিজে নিজৰে ১১ বছৰীয়া ভতিজাকক নৃশংসভাৱে হত্যা কৰে। জানিব পৰা মতে, পাৰৈ চাহ বাগিচাৰ শ্ৰমিক মিঠুন ভূমিজে এদিন পূৰ্বে লাভ কৰিছিল বোনাচ। বোনাচৰ ধন লাভ কৰি ডিঙিলৈ মদ্যপান কৰি ঘৰলৈ আহে মিঠুনে। ঘৰলৈ আহি প্ৰথমে পত্নীক মাৰধৰ কৰে। পত্নীয়ে চিঞৰ-বাখৰ কৰাত ওচৰ-চুবুৰীয়া আহি ভূমিজক ক্ষান্ত কৰাৰ প্ৰয়াস কৰে। কিন্তু ভূমিজ ক্ষান্ত নহৈ ঘৰৰ বয়-বস্তু ভাঙিবলৈ ধৰে। তেনে সময়তে চোতালত খেলি আছিল ১১ বছৰীয়া এগৰাকী ছোৱালী। ছোৱালীগৰাকী মিঠুন ভূমিজৰ ভতিজী। হঠাতে ঘৰৰ ভিতৰত প্ৰৱেশ কৰি হাতত এখন কুঠাৰ লৈ ওলাই আহে ভূমিজ। তাৰ পাছতে নিজ ভতিজীক আক্ৰমণ কৰি কুঠাৰেৰে ঘপিয়াই। মূৰত কুঠাৰৰ ঘাপ লাগি লগে লগে ঢলি পৰে কিশোৰীগৰাকী। থিতাতে নিহত হয় ছোৱালীজনী। তৎমুহূৰ্ততে হুৱা-দুৱা লাগে এলেকাটোত। একাংশ লোকে ভূমিজক বন্দী কৰি আৰক্ষীক খবৰ দিয়ে। আৰক্ষী উপস্থিত হৈ মিঠুনক গ্ৰেপ্তাৰ কৰাৰ লগতে শিশুটিৰ মৃতদেহ উদ্ধাৰ কৰে। পূজাৰ বতৰত মিঠুনে সংঘটিত কৰা নৃশংস এই হত্যাকাণ্ডক সহজভাৱে ল'ব পৰা নাই ডিগবৈৰ পাৰৈ চাহ বাগিচাবাসীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰ'টিনৰ গঠন সম্পৰ্কে গৱেষণা কৰা ৩

জন এম জাম্পাৰে। বুধবাৰে ৰসায়ন বিজ্ঞানৰ নোবেল জয়ী বিজ্ঞানীকেইগৰাকীৰ নাম ঘোষণা কৰে ছুইডেনৰ ৰয়েল ছুইডিছ একাডেমী অৱ চাইন্সেছ নোবেল কমিটীয়ে। 'কম্পিউটেচনেল প্ৰ'টিন ডিজাইন'ৰ বাবে ২০২৪ বৰ্ষৰ ৰসায়ন বিজ্ঞানৰ নোবেল বঁটাৰে সন্মানিত কৰা হয় বিজ্ঞানী তিনিগৰাকীক। প্ৰণিধানযোগ্য যে, শৰীৰত প্ৰ'টিনে অন্যতম গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই প্ৰটিনসমূহ এমিনো এচিডৰ শৃংখলেৰে গঠিত হয়। ইফালে 'কম্পিউটেচনেল প্ৰ'টিন ডিজাইন' বুলিলে কম্পিউটাৰ ব্যৱহাৰ কৰি নতুন প্ৰ'টিন সৃষ্টিৰ প্ৰক্ৰিয়াক বুজোৱা হয়। যদি এমিনো এচিডৰ পৰিৱৰ্তন কৰা হয় তেন্তে প্ৰ'টিনৰ গঠন আৰু কাৰ্য্যৰ ওপৰত ইয়াৰ প্ৰভাৱৰ বিষয়ে ভৱিষ্যদ্বাণী কৰিব পাৰি। যিকোনো ৰোগৰ ঔষধ তৈয়াৰ কৰাত ই উপযোগী বিবেচিত হয়। উল্লেখ্য যে, ২০০৩ চনত ৱাশ্বিংটন পোষ্টৰ অধ্যাপক ডেভিদ বেকাৰে এক অতি বেলেগ প্ৰ'টিন তৈয়াৰ কৰিবলৈ সক্ষম হয়। ইয়াৰ পিছত তেওঁৰ দলটোৱে প্ৰটিন গৱেষণাৰ ক্ষেত্ৰত কেইবাটাও অগ্ৰগতি লাভ কৰে। নোবেল বঁটাৰ বাবে মনোনয়ন ঘোষণা কৰাৰ পিছত ডেভিদ বেকাৰে কয়, 'মই নিজকে অতি সুখী আৰু সন্মানিত অনুভৱ কৰিছো।' আনহাতে, ডেমিছ হাছাবিছ আৰু জন জাম্পাৰে ২০২০ চনত গুগলৰ 'ডিপমাইণ্ড প্ৰজেক্ট'ৰ অধীনত 'আলফাফ'ল্ড ২' নামেৰে জনাজাত এআই মডেল প্ৰস্তুত কৰিছিল। ডেমিছ 'গুগল ডিপমাইণ্ড ইন লণ্ডন'ৰ মুখ্য কাৰ্যবাহী বিষয়া হোৱাৰ লগতে জন এম জাম্পাৰে একে প্ৰতিষ্ঠানত জ্যেষ্ঠ গৱেষক হিচাপে কাম কৰি আহিছে। তেওঁলোকে প্ৰ'টিনৰ গঠনৰ ভৱিষ্যদ্বাণী কৰাৰ পদ্ধতি আৰু অধিক বিকশিত কৰে। ডেমিছ হাছাবিছ আৰু জন জাম্পাৰৰ এই অৱদানে ৰোগ নিৰাময়ত এটা প্ৰ'টিনে কেনেদৰে কাম কৰে সেয়া অধিক স্পষ্ট কৰি তুলিছে। উল্লেখ্য যে, এইবাৰৰ নোবেল জয়ী বিজ্ঞানী ডেভিদ মিলাৰৰ আছে এক অসম সংযোগ। নোবেল বঁট লাভ কৰা এইগৰাকী বিজ্ঞানী হৈছে অসম সন্তানৰ গৱেষণা সহযোগী। এই খবৰে অসমৰ মানুহক আহ্লাদিত কৰিছে। এজন অসম সন্তানৰ বন্ধু তথা একেলগে গৱেষণা কৰা বিজ্ঞানীয়ে নোবেল বঁটা পাইছে ইয়াতকৈ জাতিটোৰ বাবে গৌৰৱৰ খবৰ কি হ'ব পাৰে বুলি বিভিন্নজনে আলোচনা কৰিবলৈ আৰম্ভ কৰিছে। খ্যাতনামা বিজ্ঞানী ডেভিদ বেকাৰক এইবাৰৰ ৰসায়ন বিজ্ঞানৰ নোবেল প্ৰদানৰ পিছতে চৰ্চালৈ আহিছে অসমীয়া বিজ্ঞানী তথা প্ৰতিষ্ঠিত লিখক ৰুবুল মাউট। ৰুবুল মাউট ডেভিদ বেকাৰৰ সহযোগী তথা গৱেষণা সংগী আছিল। এই কথা খোদ ডেভিদ বেকাৰৰ সৈতে বহি থকা ফটো শ্বেয়াৰ কৰি ৰাজহুৱা কৰিছে মাউটে। দীৰ্ঘ সময় ধৰি বেকাৰৰ সৈতে একেলগে কাম কৰাৰ লগতে গৱেষণা সহযোগী হিচাপে কাম কৰিছিল অসম সন্তান ৰুবুলে। অসম-অৰুণাচল সীমান্তৰ তিনিচুকীয়া জিলাৰ কাকপথাৰৰ কৈলাসপুৰত কৃষকৰ পৰিয়ালত জন্ম গ্ৰহণ কৰা ৰুবুল মাউতৰ শৈশৱকাল আছিল খলা-বমাৰে ভৰা। দৰিদ্ৰতাক হেলাৰঙে নেওচি উচ্চ শিক্ষা গ্ৰহণ কৰা মাউটে আজিৰ এই অৱস্থালৈ আহিবৰ বাবে যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হৈছে। আত্মজীৱনী 'মোৰো এটা সপোন আছে'ত শৈশৱ-যৌৱনৰ সংগ্ৰামৰ কথা লিপিবদ্ধ কৰিছে। জীৱ বিজ্ঞানী ৰূপে বিশ্বজুৰি খ্যাতি অৰ্জন কৰা অসম সন্তান মাউটে মানৱ দেহৰ ৰোগ নিৰ্মূলকৰণৰ বাবে নতুন প্ৰ'টিনৰ সৃষ্টি কৰা, উচ্চতৰ প্ৰ'টিন সমাৱেশ প্ৰস্তুত কৰি সেইবোৰক কোষ সংকেতক জৈৱ-অণুবিদ্যুতৰ দৰে ক্ষেত্ৰত প্ৰয়োগ কৰা বিষয়ত গৱেষণা কৰি গৈছে। মাচাছুচেটচ বিশ্ববিদ্যালয়ৰ পৰা জিন-সম্পাদনাত গৱেষণা কৰি ডক্তৰেট ডিগ্ৰী লাভ কৰিছে অসম সন্তান বিজ্ঞানীগৰাকীয়ে। ৰুবুল মাউতৰ গৱেষণা আমেৰিকাৰ ৰাসায়নিক সমাজৰ উপৰি একাধিক বৈজ্ঞানিক মঞ্চত ভিডিঅ' অথবা তথ্যচিত্ৰ হিচাপে আলোচিত আৰু প্ৰদৰ্শিত কৰা হয়। বৰ্তমান তেওঁ ৱাশ্বিংটন বিশ্ববিদ্যালয়ৰ প্ৰ'টিন ডিজাইন শাখাৰ 'ৱাশ্বিংটন ৰিচাৰ্চ ফাউণ্ডেছন ইন'ভেছন ফেলো'। অসম সন্তান ৰুবুল মাউতে সান্নিধ্য লাভ কৰা বেকাৰ নোবেল বঁটা বিজয়ৰ পাছতে উৎফুল্লিত হৈছে ৰুবুল মাউট। মাউটে ফেচবুকত লিখা এটা পোষ্টত কয় "যোৱা কেইবামাহে অতি ব্যস্ততাৰ বাবে ফেচবুকৰ পৰা আঁতৰি আছিলো, কিন্তু আজি ৰাতি পুৱাই অহা এক অভাৱনীয় খবৰৰ বাবে ফেচবুকলৈ আহিলো। একালৰ মোৰ প'ষ্ট ডক্টৰেল মেণ্টৰ আৰু বৰ্তমানৰ অতি ঘনিষ্ঠ সহযোগী (Collaborator) ডেভিদ বেকাৰক আজি, ২০২৪ বৰ্ষৰ, ৰসায়ন বিজ্ঞানৰ নোবেল বঁটা দিয়া হৈছে! যোৱা ৰাতিৰ পৰাই উদগ্ৰীৱ হৈ এই খবৰ বাবে ৰৈ আছিলো যদিও, আজি ৰাতিপুৱা ই বাস্তৱ হৈ উঠাত বাকহীন হৈ আবেগত উপচি পৰিছোঁ! ডেভিদৰ সৈতে মোৰ যোৱা আঠবছৰৰ সম্পৰ্কৰ বিষয়ে ক'বলৈ-লিখিবলৈ গলে হয়তো এখন মহাকাব্য হ'বগৈ। কিন্তু আজি ইয়াকে কওঁ যে পৃথিৱীৰ এজন অতি মেধাৱী (Genius) ব্যক্তিৰ সৈতে কৰা যুটীয়া গৱেষণাৰ ফলত এতিয়ালৈ চাৰিখন গৱেষণা পত্ৰ, কেইবাটিও পেটেণ্ট প্ৰকাশিত হৈছে। লগতে আন ভালেকেইটা Collaboration এতিয়াও চলি আছে। উল্লেখযোগ্য যে, যোৱা সপ্তাহত আমাৰ এনে Collaborationৰ এখন গৱেষণা পত্ৰ Nature নামৰ জাৰ্নেলত প্ৰকাশ হৈ উলাইছিল। য'ত আছিল আন এগৰাকী নোৱেল প্ৰাপক Carolyn Bertozzi (২০২২)। তাতোতকৈ উল্লাসৰ কথা যে যোৱা শুকুৰবাৰে মোৰ অন্য এখন গৱেষণা পত্ৰৰ বাবে (bioRxivত থকা) পৃথিৱী শ্ৰেষ্ঠ বিজ্ঞান আলোচনী Nature-এ ডেভিদ, জৰ্জ (হাৰ্ভাৰ্ডৰ ডিন জৰ্জ ডেলি) আৰু মোৰ প্ৰায় এঘণ্টাযোৱা Interview লৈছিল। Nature-এ মোৰ এই গৱেষণা পত্ৰৰ ওপৰত অহা নৱেম্বৰ মাহৰ শেষৰফালে এটি লেখা উলিয়াব, তাৰ বাবে। ডেভিদৰ ওপৰি তেওঁৰ খ্যতনাম বিজ্ঞানী পত্নী হানেলি বেকাৰ (Hannele Rouhala Baker)ৰ সৈতেও মোৰ সুসম্পৰ্ক তথা Collaboration চলি আছে। ইয়াৰে কিছু কাম যোৱা সপ্তাহত হানেলিৰ এগৰাকী ছাত্ৰীয়ে বাৰ্লিনত Present কৰিছিল। যি কি নওক, আমাৰ জীৱনৰ শৈশৱকাল বিজ্ঞান শিক্ষাৰ অবিহনে তেনেই সাধাৰণ ভাৱেই পাৰ হৈছিল। কিন্তু আজি ডেভিদৰ এই নোবেল স্বীকৃতিত আমাৰ অলপ হলেও সহযোগ থকাত কেনে ভাৱ হৈছে সেয়া ভাষাৰে ব্যক্ত কৰিবলৈ অপাৰগ। আজি কিছুবছৰ আগতে যেতিয়া ডেভিদৰ পি এইচ ডি মেণ্টৰ Randy Schekmanক নোৱেল বটা দিয়া হৈছিল। তেতিয়া ডেভিদৰো ছাগে একে অভিজ্ঞতাই হৈছিল।' নোবেল জয়ী বিজ্ঞানীৰে অসম সন্তানৰ সম্পৰ্কৰ কথা জানি অভিভূত হৈ পৰিছে ৰাজ্যবাসী। ইফালে, এই খবৰ লাভ কৰি অসমৰ বহু লোকে ভৱিষ্যতৰ কোনো এক উজ্জ্বল পুৱা অসমলৈকো নোবেল বঁটা জয়ৰ প্ৰত্যক্ষ খবৰ আহিব বুলি আশাবাদী হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজি মহাসপ্তমী, ৰাজ্যত পূজাৰ উছাহ

দেৱী দুৰ্গাৰ ভক্ত আৰু উছৱপ্ৰেমী ৰাইজৰ মনলৈ আনন্দৰ জোৱাৰ কঢ়িয়াই মংগল ধ্বনি, ঢাক-ঢোল, শংখ-ঘণ্টা, আয়তীৰ উৰুলি, পুৰোহিতৰ মন্ত্ৰোচ্ছাৰণ, সমন্বিত জয়ধ্বনি আৰু দেৱী বন্দনাৰে আজি ষষ্ঠীৰ দিনা পূজাৰ বেদীত প্ৰতিষ্ঠিত হ'ল মহিষমৰ্দিনী দেৱী দুৰ্গাৰ প্ৰতিমা। কেৱাখনো প্ৰাচীন জেৰাল, শক্তিপীঠ, দেৱীপীঠ আদিত দেৱীৰ মৃন্ময় প্ৰতিমাৰ পৰিবৰ্তে পূজাৰ বেদীত স্থাপন কৰা হ'ল নৱপত্ৰিকা। পৰম্পৰাগত ৰীতি-নীতি অনুযায়ী পঞ্জিকাৰ সময়সূচী মতে পুৱা ৯ বাজি ৫৭ মিনিট সম্পন্ন হয় ষষ্ঠাদি কল্পাৰম্ভ। সন্ধিয়া সম্পন্ন হয় দেৱীৰ আমন্ত্ৰণ, অধিবাস। দেৱীৰ বিল্ববোধন বা বেলবৰণৰ পিছত পৰম্পৰাগত ৰীতি-নীতি অনুযায়ী বেদীত প্ৰতিষ্ঠা কৰা হ'ল দেৱী দুৰ্গাক। আজিৰ দিনটোত কাত্যায়নী ৰূপত দেৱীলৈ আগবঢ়োৱা হয় যথাবিহিত পূজা। পূজাৰ বেদীত দেৱীক প্ৰতিষ্ঠা কৰাৰ লগে লগে ভক্তিপ্ৰাণ ৰাইজৰ দেৱী ভক্তি আৰু উছৱপ্ৰেমী লোকসকলৰ পাৰভঙা উছাহেৰে মুখৰিত হৈ পৰে ৰাজ্যৰ অসংখ্যা পূজাথলী। বতৰে বিঘিনি আৰোপ কৰাৰ আশংকাৰ মাজেৰে সমগ্ৰ অসমতে শদিয়াৰ পৰা ধুবুৰীলৈ, ব্ৰহ্মপুত্ৰৰ পৰা বৰাকলৈ দেখা গ'ল পূজাৰ আনন্দ-উছাহৰ আৰম্ভণি। কাইলৈ মহাসপ্তমী। কাইলৈ দিনত কালৰাত্ৰিৰ ৰূপত পূজিত হ'ব দেৱী দশভূজা। কাইলৈ পুৱা ৫ বাজি ৩০ মিনিটত সপ্তমীৰ যথাবিহিত পূজা আৰম্ভ হ'ব। আজি ষষ্ঠীৰ বেদীত প্ৰতিমা স্থাপন কৰাৰ পিছত কাইলৈ দোলাত উঠি মৰ্ত্যলৈ আহিব দেৱী দুৰ্গা। শাস্ত্ৰত কোৱা হৈছে, "দোলায়াং মকৰং ভবেৎ"। অৰ্থাৎ দোলাত দেৱীৰ আগমনে মহামাৰী, ভূমিকম্প, খৰাং, যুদ্ধ আৰু অতিমৃত্যু সূচায়। ফলত দেশত বিপুল প্ৰাণহানিৰ আশংকা থাকে। দুৰ্গাপূজা উপলক্ষে ৰাজ্যপাল লক্ষ্মণ আচাৰ্য, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, যোৰহাটৰ সাংসদ গৌৰৱ গগৈকে আদি কৰি ভিন্নজনে অসমবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে।

# শংকৰ সংঘৰ কেন্দ্ৰীয় অংকীয়া নাট সমাৰোহ

**ই-সংবাদ, বেবেজীয়া, ৯ অক্টোবৰঃ** নগাঁও জিলাৰ গেদাৰবড়িৰ শ্ৰীমন্ত শংকৰদেৰ আৰু বঢ়াৰপো সমন্বয় ক্ষেত্ৰত কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় অংকীয়া নাট সমাৰোহখনি অনুষ্ঠিত হ'ব। এই লৈ সমগ্ৰ অঞ্চলটোত এক উখল-মাখল আধ্যাত্মিক পৰিবেশৰ সূচনা হৈছে। আনকি সমাৰোহত ভাগ ল'বলৈ আজিৰে পৰাই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা সংঘৰ ভকত-বৈষ্ণৱৰ সোঁত বোৱা আৰম্ভ হৈছে। সমাৰোহ উপলক্ষে কুৰুৱাবাহী, চমুৱাগাঁও, চকলাঘাটকে ধৰি সমগ্ৰ অঞ্চলজুৰি ১৬ খনকৈ আদৰণি তোৰণ নিৰ্মাণ কৰাৰ হৈছে। সমাৰোহ উপলক্ষে সমবেত হ'বলগীয়া দহ সহস্ৰাধিক ভকত-বৈষ্ণৱ আৰু অতিথিক আপ্যায়নৰ বাবে বৃহৎ ভোজনালয় সাজু কৰি তোলা হৈছে। কাইলৈৰ পৰা প্ৰতি নিশাই গুৰুজনাৰ অমৰ সৃষ্টি "ৰাম বিজয়" আৰু "কালীয় দমন" অংকীয়া নাট দুখনি অসম বিভিন্ন প্ৰান্তৰ সংঘৰ কলা-কুশলী সকলে পৰিবেশন কৰিব। কাৰ্যসূচী অনুসৰি কাইলৈ পুৱা নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই তোৰণ উন্মোচন কৰাৰ পিছতে ধৰ্মধ্বজা উত্তোলন কৰিব সংঘৰ পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকাই। দিনৰ ১১ বজাৰ পৰা নাট সমাৰোহৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হ'ব। সংঘৰ সংস্কৃতি শাখাৰ সভাপতি পবিত্ৰ প্ৰাণ বৰাৰ সভাপতিত্বত অনুস্থিত হ'বলগীয়া অনুষ্ঠানত নাট সমাৰোহখনি উদ্ধোধন কৰিব সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই। অনুষ্ঠানত মুখ্য অতিথি হিচাপে সংঘৰ পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকা, নিৰ্দিষ্ট বক্তা হিচাপে সাংবাদিক এঞ্জেলা চাংমাই আৰু বিশিষ্ট অতিথি হিচাপে সত্ৰাধিকাৰ হিৰু প্ৰসাদ মহন্তই অংশগ্ৰহণ কৰিব। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব সংঘৰ ট্ৰাষ্ট সমিতিৰ সভাপতি প্ৰফুল্ল বৰাই। ইয়াৰ পিছতেই সংঘৰ নগাঁও জিলা শাখাই প্ৰদৰ্শন কৰিব 'ৰাম বিজয়' অংকীয়া নাট। উদ্বোধন কৰিব মানৱদৰদী চিকিৎসক ডাঃ হিতেশ বৰুৱাই। সংঘৰ কলিয়াবৰ জিলা শাখাই প্ৰদৰ্শন কৰিব 'কালীয় দমন' অংকীয়া নাট। ১১ অক্টোবৰত দিনৰ ১ বজাৰ পৰা শংকৰী সংস্কৃতি আৰু লোক কৃষ্টি প্ৰদৰ্শন অনুষ্ঠান অনুস্থিত হ'ব। এই অনুষ্ঠান মুকলি কৰিব সংঘৰ মুলৰ সদস্য মৌচুমী কাকতিয়ে। বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব সাহিত্যিক কুশল চন্দ্ৰ হাজৰিকা আৰু শিল্পী কৃষ্ণমণি নাথে। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব সংঘৰ নগাঁও জিলা শাখাৰ সভাপতি চেনাৰাম ডেকাই। তদুপৰি কামপুৰ জিলা শাখাই প্ৰদৰ্শন কৰিব লগা 'কালীয় দমন' নাটখনি উদ্ধোধন কৰিব ৰহাৰ বিধায়ক তথা আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি শশীকান্ত দাসে।

## কটহগুৰিত সংঘটিত লজ্জাজনক কাণ্ড, অভিযুক্তৰ পলায়ন

# নগাঁৱত পত্নীক ধৰ্ষণৰ বলি হ'বলৈ এৰি দি ৰেকৰ্ডিং কৰাত ব্যস্ত হ'ল স্বামী!

**ই-সংবাদ, বেবেজীয়া, ৯ অক্টোবৰঃ** অসমত বৃদ্ধি পাই অহা নাৰী নিৰ্যাতন ৰোধৰ বাবে চৰকাৰে নানা পদক্ষেপ গ্ৰহণ কৰিলেও নাৰী নিৰ্যাতন ৰোধ হোৱা নাই। ধৰ্ষণৰ দৰে সমাজক কলংকিত কৰা ঘটনা নিতৌ সংঘটিত হৈ আহিছে। আজি এগৰাকী বিবাহিতা নাৰীৰ নিৰাপত্তা আৰু আশা-ভৰষাৰ থল হ'ল নিজৰ স্বামী। কিন্তু শেহতীয়াকৈ পোহৰলৈ অহা এটা ভিডিঅ' অন্য এক ছবিহে দাঙি ধৰিছে। স্বামী-স্ত্ৰীৰ সম্পৰ্কক কলংকিত কৰা এক লজ্জাজনক ঘটনা সংঘটিত হৈছে মধ্য অসমৰ নগাঁও জিলাত। যিটো ঘটনাই সকলোকে স্তম্ভিত কৰি তুলিছে। এই ঘটনাৰ পাছতে সঁচাই নাৰী আজি সুৰক্ষিত নে? সমাজক লজ্জানত কৰি স্বামীয়ে সংঘটিত কৰিছে নাভুত নাশ্ৰুত ঘটনা। জিলাখনৰ ধিং থানাৰ এলেকাধীন কটহগুৰিত লম্পট স্বামীয়ে প্ৰায় দুসপ্তাহ পূৰ্বে দিনৰ ভাগতে নিজ পত্নীক গতাই দিয়ে পৰ পুৰুষক। লম্পট স্বামীৰ নাম হৈছে ফকৰ উদ্দীন। অভিযোগ মতে, কটহগুৰিৰ লম্পট ফকৰ উদ্দিনে নিজৰ বন্ধু মোজাম্মিল হকক মাতি আনি নিজৰ পত্নীক যৌন উৎপীড়ন চলাবলৈ সমৰ্পণ কৰি ভয়-ভাবুকিৰে পত্নীৰ ডিঙিত দা লগাই ধৰি ৰাখে। তাৰ সমান্তৰালকৈ মোজাম্মিলে বন্ধুৰ সন্মুখতে বন্ধু পত্নীক ধৰ্ষণ কৰে। পত্নীয়ে যাতে পৰবৰ্তী সময়ত বাধ্য হৈ পৰ পুৰুষৰ লগত তেনে কৰ্ম কৰিবলৈ অসন্মত নহয় তাৰ বাবে স্বামীয়ে ভিডিঅ' ৰেকৰ্ডিং কৰে বন্ধুয়ে জোৰ জবৰদস্তিকৈ কৰি থকা যৌন নিৰ্যাতনৰ দৃশ্য। ইফালে, উক্ত দিনাই নিশাৰ ভাগত পুনৰ বন্ধুক মাতি আনি ধৰ্ষণ কৰাৰ বাবে পত্নীক সমৰ্পণ কৰে যদিও এইবাৰ পত্নীয়ে আত্মহত্যাৰ ভাবুকি দিয়াত দুয়ো পলায়ন কৰে। স্বামীৰ এনে কাৰ্যত শংকিত হৈ লগে লগে ভুক্তভোগী মহিলাগৰাকীয়ে স্বামী গৃহ এৰি পিতৃ গৃহলৈ গুছি যায়। দুখৰ বিষয় যে ঘটনাৰ পিছৰে পৰাই ভুক্তভোগী মহিলাগৰাকীয়ে আইনৰ আশ্ৰয় ল'বলৈ বিচাৰে যদিও স্বামীৰ ভাবুকিৰ বাবেই চৰম নিৰাপত্তাহীনতাত ভুগি পিতৃ গৃহতেই বৰ্তমান একপ্ৰকাৰ গৃহবন্দী হৈ আছে। সংখ্যালঘু গণতান্ত্ৰিক যুৱ ছাত্ৰ ফেডাৰেচনৰ নেতা আছাদুল হক চৌধুৰীয়ে এই ঘটনাৰ সবিশেষ গম পাই আইনী সাহায্য প্ৰদান কৰিবলৈ আগবাঢ়ি আহে। নগাঁও আৰক্ষী অধীক্ষকৰ ওচৰত এজাহাৰ দিয়াৰ প্ৰস্তুতি চলাইছে। কিন্তু এই সমগ্ৰ ঘটনা গাপ দিয়াৰ চেষ্টা চলাই আহিছে একাংশ মাতব্বৰে। এইসকল মাতব্বৰে ভুক্তভোগীক বিভিন্ন প্ৰকাৰে হেঁচা প্ৰদান কৰি অহাৰ অভিযোগ উঠিছে। ঘটনা সন্দৰ্ভত ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰদানৰ হস্তক্ষেপ দাবী কৰিছে।

# খহনীয়াগ্ৰস্ত এলেকা পৰিদৰ্শন বিলাসীপাৰা সম-জিলা আয়ুক্তৰ

**ই-সংবাদ, বিলাসীপাৰা, ৯ অক্টোবৰঃ** ধুবুৰী জিলাৰ বিৰছিং জৰুৱা বিধানসভা সমষ্টিৰ খহনীয়াগ্ৰস্ত এলেকা পৰিদৰ্শন কৰে বিলাসীপাৰা সম-জিলা আয়ুক্তই। বিলাসীপাৰা সমজিলা আয়ুক্ত সৃষ্টি সিঙে ব্ৰহ্মপুত্ৰৰ শাখা সুঁতিৰ খহনীয়া পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। নৈৰ খহনীয়াৰ স্থায়ী সমাধান কৰিবলৈ স্থানীয় ৰাইজে আয়ুক্তগৰাকীক আবেদন জনায়। বয়জেৰ আলগা পঞ্চায়তৰ অন্তৰ্গত বয়জেৰ আলগা পঞ্চম খণ্ডৰ ভয়াবহ অৱস্থা পৰিদৰ্শন কৰি ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰে সম-জিলা আয়ুক্তই। জিলা উপায়ুক্তৰ সৈতে আলোচনা কৰি স্থায়ী সমাধান কৰাৰ আস্বাস প্ৰদান কৰে। খহনীয়াত বহু ঘৰ-বাৰী জাহ যোৱাৰ লগতে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, উপ স্বাস্থ্য কেন্দ্ৰৰ ডাক্তৰ-নাৰ্চ আৰু পথযাত্ৰীসকলে যমৰ যাতনা ভুগি আহিছে। সচেতন ৰাইজে বিভাগীয় কৰ্তৃপক্ষক লিখিত অভিযোগ দাখিল কৰি আহিছে যদিও গুৰুত্ব প্ৰদান কৰা নাই। ফলত বহু ঘৰ-বাৰী শাখা সুঁতিত জাহ যোৱাৰ উপক্ৰম হৈছে। মায়াৰচৰ হাইস্কুল, মায়াৰ চৰ এম.ই স্কুল, এল.পি স্কুল, মায়াৰ চৰ উপ-স্বাস্থ্য কেন্দ্ৰ, উত্তৰ বয়জে-আলগা গাঁও পঞ্চায়তৰ কাৰ্যালয় খহনীয়াৰ কৱলত পৰাৰ আশংকা কৰা হৈছে। প্ৰতিৰোধৰ বাবে স্থানীয় ৰাইজে বাৰে বাৰে আবেদন-নিবেদন কৰি আহিছে যদিও বিভাগীয় কৰ্তৃপক্ষই তিলমানো গুৰুত্ব দিয়া নাই। বাঁহ বান্ধি অনুষ্ঠানসমূহ ৰক্ষা কৰিব খোজা হৈছে যদিও সেয়া



ফুটুকাৰ ফেনহে হ'ব বুলি ক'ব খোজে ৰাইজে। ইবিভাগে খহনীয়া ৰোধক গুৰুত্ব নিদিয়াৰ সময়তে বিলাসীপাৰা সম-জিলাৰ আয়ুক্ত সৃষ্টি সিঙে খহনীয়াগ্ৰস্ত এলেকা পৰিদৰ্শন কৰিছে। খহনীয়াগ্ৰস্ত এলেকা পৰিদৰ্শন কৰি শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিছে জিলা আয়ুক্তগৰাকীয়ে।




## অগপ সাধাৰণ দল নহয়ঃ পোনাকণ বৰুৱা

# জেৰাইত তুংগত অগপৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ প্ৰস্তুতি

**ই-সংবাদ, চাবুৱা, ৯ অক্টোবৰঃ** শাসকীয় বিজেপিৰ সহযোগী দল অসম গণ পৰিষদৰ ৪০ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস পালনৰ ব্যাপক প্ৰস্তুতি চলিছে ডিব্ৰুগড় জিলাৰ চাবুৱাৰ জেৰাইত। ঐতিহাসিক জেৰাই গাঁৱত ৪০ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস পালনৰ প্ৰস্তুতি চলি থকাৰ মাজতে আজি প্ৰস্তুতিৰ পুনৰ বুজ ল'লে স্থানীয় বিধায়ক পোনাকণ বৰুৱাই। আঞ্চলিকতাবাদী দলৰ উত্থানত চাবুৱাৰ জেৰাই গাঁৱৰ বিশেষ ভূমিকা থকা কথা দোহাৰি ১৪ অক্টোবৰত এদিনীয়া কাৰ্যসূচীৰে আড়ম্বৰপূৰ্ণভাৱে অসম গণ পৰিষদ দলৰ প্ৰতিষ্ঠা দিৱস জেৰাইত পালনৰ সিদ্ধান্ত লোৱা বুলি কয় বৰুৱাই। কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ অভ্যৰ্থনা সমিতিৰ বিষয়-ববীয়াৰ সৈতে বিভিন্ন দিশ আলোচনা কৰে। চাবুৱাবাসী আৰু জেৰাই গাঁওবাসীয়ে প্ৰতিষ্ঠা দিৱস সফল কৰিবলৈ অশেষ কষ্ট কৰাত ধন্যবাদ জ্ঞাপন কৰে বৰুৱাই। চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই জনোৱা মতে, ১৪ আগষ্টৰ পুৱা ৫ বজাত প্ৰভাতী, ৯ বজাত পতাকা উত্তোলন, ৯:৩০ বজাত শ্বহীদ তৰ্পণ, ১০ বজাত সতীৰ্থ সোঁৱৰণ, ১১ বজাত সাংস্কৃতিক শোভাযাত্ৰা, দিনৰ ১২ বজাত মুকলি সভা, সন্ধা ৫ বজাত বন্তি প্ৰজ্বলন। প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰুৱা, কাৰ্যকৰী সভাপতি কেশৱ মহন্তৰ লগতে কেন্দ্ৰীয় নেতৃত্ব উপস্থিত থাকিব। অভ্যৰ্থনা সমিতিৰ নেতৃত্বৰ সৈতে জেৰাইত এখন সংবাদমেল সম্বোধন কৰি বিধায়ক বৰুৱাই দলটোৰ ইতিহাস বৰ্ণনা কৰে। তেওঁ কয় যে অগপই দুবাৰকৈ দিছপুৰত অকলে চৰকাৰ গঠন কৰিছে। ২০১৬ চনৰ পৰা বিজেপিৰ সৈতে চৰকাৰ চলাই আছো। অগপ এটা সাধাৰণ দল নহয়। ছয় বছৰীয়া অসম আন্দোলনৰ ফলশ্ৰুতিত এই দলৰ জন্ম। সেই সময়ত অসম চৰকাৰৰ আমোলত পুলিচ-চিআৰপিএফৰ গুলীত ৮৫৫ জন লোক শ্বহীদ হৈছিল। খিলঞ্জীয়া লোক শ্বহীদ হৈছিল। হাজাৰ হাজাৰ লোক ঘূণীয়া হৈছিল। বাই-ভনী নিৰ্যাতিতা হৈছিল। অগপ ১৯৮৫ চনৰ প্ৰতিষ্ঠা হোৱাত পাছতে আজি উত্থান-পতনৰ সাক্ষী হৈছে। দলটো আজি প্ৰাপ্তবয়স্ক হৈছে বুলি উল্লেখ কৰি বিধায়ক পোনাকণ বৰুৱাই কয় "বিশ্ববিদ্যালয়ৰ ছাত্ৰই নেতৃত্ব লোৱা আজি দলটো প্ৰাপ্তবয়স্ক হৈছে। ছাত্ৰ অৱস্থাতে চৰকাৰৰ নেতৃত্ব লোৱাত কিছু ভুল ভ্ৰান্তি হৈছিল। কিন্তু প্ৰফুল্ল কুমাৰ মহন্তৰ প্ৰতি ৰাইজৰ সমৰ্থন আছিল। মানুহৰ আশা-প্ৰত্যাশা সীমাহীন আছিল। কিন্তু ৰাইজক আশ্বাস আৰু বিশ্বাসত লৈ চলিবলৈ প্ৰয়াস কৰিছিল। আজিও দলটোৱে ৰাইজৰ হকে কাম কৰি গৈছে। আজি আমি ৪০ বছৰত ভৰি দিলো। এইবাৰ জেৰাইত আমাৰ কেন্দ্ৰীয় দিৱস পালন কৰিছো। কিয়নো জেৰাই হৈছে আঞ্চলিক ৰাজনীতিৰ পীঠস্থান। জেৰাইৰ পৰাই আঞ্চলিক ৰাজনীতি আৰম্ভ হৈছিল। আমি আকৌ জেৰাইৰ পৰাই এই যাত্ৰা আৰম্ভ কৰিম। জেৰাইৰ পৰা আঞ্চলিক দলৰ উত্থান হ'ব।" বিধায়কগৰাকীয়ে অসমৰ সকলো আঞ্চলিক দলক বিশেষ আহ্বান জনাই অগপৰ সৈতে একেলগে কাম কৰাৰ আহ্বান জনাইছে। তেওঁ কয় যে আহক অসমৰ আৰু অসমৰ আঞ্চলিক দলৰ ভৱিষ্যতৰ বাবে কাম কৰিবলৈ অসম গণ পৰিষদৰ সৈতে কাম কৰক। আঞ্চলিক দলক একত্ৰিত কৰিবলৈ জেৰাইক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস পালনৰ বাবে বাছনি কৰা হৈছে।

# মৈৰাবাৰীত কন্যা শিশু দিৱস পালন

**ই-সংবাদ, লাহৰীঘাট, ৯ অক্টোবৰঃ** অহা ১১ অক্টোবৰৰ আন্তঃৰাষ্ট্ৰীয় কন্যা শিশু দিৱস অসম চৰকাৰৰ নিৰ্দেশ মৰ্মে মৰিগাঁও জিলাত আজিয়েই পালন কৰা হয়। আজি মৈৰাবাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ কাৰ্যালয়ত আন্তঃৰাষ্ট্ৰীয় কন্যা শিশু দিৱস পালন কৰা হয়। মৈৰাবাৰী অঞ্চলৰ প্ৰায় শতাধিক কন্যা শিশুৰ উপস্থিতিত মৈৰাবাৰী সংহত শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়ত বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰা হয়। কন্যা শিশু দিৱসত মৈৰাবাৰী সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া বিপুল চন্দ্ৰ বৰাই কন্যা শিশুসকলক উদ্দেশ্যি গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকা মৈৰাবাৰী মহাবিদ্যালয়ৰ প্ৰবক্তা ড০ আব্দুল মন্নান আহমেদে শিশু কন্যাৰ ভৱিষ্যত সুৰক্ষা আৰু জীৱন গঢ়াৰ বহু মূল্যৱান ভাষণ প্ৰদান কৰে। শিশুসকলৰ মাজত কবিতা আবৃত্তি প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, নৃত্য গীত আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। অনুষ্ঠানত মৈৰাবাৰী থানাৰ নাগৰিক সমিতিৰ অধ্যক্ষ নুৰুজ জামানকে ধৰি মৈৰাবাৰী ৰাষ্ট্ৰভাষা এম.ই স্কুলৰ সহকাৰী শিক্ষক জ্যোতিপ্ৰসাদ নাথ, সহকাৰী শিক্ষক মণিৰুজামান আৰু প্ৰকল্পৰ চুপাৰভাইজাৰ বিনিতা বেজ, পাৰবিন চুলতানা, জেবিন আখতাৰা, দিপালী কলিতা, ৰেজিনা চুলতানা, এলিজা বেগমকে ধৰি প্ৰায় আটাইকেইজনী চুপাৰ ভাইজাৰ উপস্থিত থাকে।

# খুটিকটীয়া-শেনচোৱা সাৰ্বজনীন দুৰ্গা পূজাৰ ৰূপালী জয়ন্তী

## দেৱী বন্দনাত মুখৰিত চৌদিশ

**ই-সংবাদ, বেবেজীয়া, ৯ অক্টোবৰঃ** সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাতো শাৰদীয় দুৰ্গা পূজা উপলক্ষে এক উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হৈছে। প্ৰতিকূল বতৰেও ম্লান কৰিব পৰা নাই দুৰ্গোৎসৱৰ আনন্দ-উছাহ। এইবাৰ নগাঁও জিলাত তিনি শতাধিক পূজা মণ্ডপত উদযাপিত হৈছে দুৰ্গা পূজা। ইয়াৰ ভিতৰত নগাঁও চহৰৰ পাৰ্শ্ববৰ্তী আকাশবাণী নগাঁও কেন্দ্ৰৰ সমীপত খুটিকটীয়া-শেনচোৱা সাৰ্বজনীন দুৰ্গা পূজা সমিতিৰ দ্বাৰা অনুষ্ঠিত হৈ অহা পূজাভাগে এইবাৰ সগৌৰৱে ২৫ বছৰত পদাৰ্পণ কৰিছে। সেয়ে ইয়াৰ ৰূপালী জয়ন্তী উৎসৱটি বেছ ওলহ-মালহেৰে মঙলবাৰৰ পৰা পাঁচদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। সেই অনুসৰি কালি সন্ধিয়া দুৰ্গা দেৱীৰ বোধনৰ দ্বাৰা কাৰ্যসূচীৰ পাতনি মেলা মেলা হয়। আজি দ্বিতীয় দিনা সন্ধিয়া দুৰ্গা দেৱীৰ আমন্ত্ৰণ আৰু অধিবাস অনুষ্ঠিত হয়। কাইলৈ তৃতীয় দিনা দুৰ্গা দেৱীৰ নৱপত্ৰিকা প্ৰবেশ, স্থাপন আৰু সপ্তমী বিহীত পূজা সম্পাদন কৰা হ'ব। তদুপৰি সন্ধিয়া



দুৰ্গাৰ স্তৱপাঠ, দুৰ্গা বন্দনা আৰু এখনি মনোজ্ঞ আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। "সনাতন সংস্কৃতিত দুৰ্গা পূজাৰ প্ৰাসংগিকতা" শীৰ্ষক বিষয়ৰ আলোচনা চক্ৰত বিধায়ক ৰূপক শৰ্মাৰ উপস্থিতিত মুখ্য আলোচক হিচাপে নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড০ শৰৎ বৰকটকীয়ে অংশগ্ৰহণ কৰিব। লেখক সুনীল কুমাৰ শৰ্মাৰ সম্পাদনাত প্ৰকাশিত "সিদ্ধিদাত্ৰী" নামৰ স্মৃতিগ্ৰন্থখন উন্মোচন কৰা হ'ব। ৰূপালী জয়ন্তী উৎসৱৰ বিভিন্ন কাৰ্যসূচীৰ লগতে শুকুৰবাৰে সন্ধিয়া ঘাঁহী সোণাৰী গাঁৱৰ 'বনিয়া সংঘ'ৰ শিল্পীসকলৰ দ্বাৰা 'হৰিচন্দ্ৰ পাল্লা' প্ৰদৰ্শন কৰা হ'ব বুলি অজিত কুমাৰ শৰ্মা আৰু নিৰোদ কুমাৰ শৰ্মাই জানিবলৈ দিছে।

# দুৰ্গোৎসৱৰ সময়ত গুৱাহাটীত মহানগৰ আৰক্ষীৰ বিশেষ পথ নিৰ্দেশনা

**গুৱাহাটী, ৯ অক্টোবৰঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰীতো শাৰদীয় দুৰ্গোৎসৱক লৈ দেখা গৈছে উখল-মাখল পৰিৱেশ। দুৰ্গোৎসৱৰ সময়ত জনসাধাৰণৰ সুবিধাৰ বাবে মহানগৰ আৰক্ষীয়ে যানবাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। দুৰ্গা পূজাৰ সময়ছোৱাত হ'বলগীয়া তীব্ৰ যান-জঁটৰ প্ৰতি লক্ষ্য ৰাখি মহানগৰ আৰক্ষীয়ে ৯ অক্টোবৰৰ পৰা ১৩ অক্টোবৰলৈ যানবাহন চলাচলৰ ক্ষেত্ৰত কিছু নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুযায়ী, সামগ্ৰী কঢ়িওৱা গধুৰ যানবাহন মহানগৰীৰ মাজেৰে পুৱা ৪ বজাৰ পৰা দিনৰ ১২ বজাৰ ভিতৰত চলাচল কৰিব পাৰিব। চিটীবাছৰ চলাচলৰ ক্ষেত্ৰতো কেতবোৰ সালসলনি কৰা হৈছে। এই অনুসৰি বশিষ্ঠ মন্দিৰৰ পৰা ধাৰাপুৰ অভিমুখে যোৱা চিটীবাছসমূহ বশিষ্ঠ চাৰিআলি, কইনাধৰা পইণ্ট হৈ খানাপাৰা ৰ'টাৰীৰ দিশেৰে জিএছ ৰোড হৈ ধাৰাপুৰলৈ যাব পাৰিব। একেদৰে আদাবাৰী বাছষ্টেণ্ডৰ পৰা লালগণেশ অভিমুখে যোৱা চিটীবাছৰ ক্ষেত্ৰতো মালিগাঁও, কাছাৰী, ৰবীন্দ্ৰ ভৱন, গুৱাহাটী ক্লাব, চানমাৰি, জু-ৰোড ফ্লাই অভাৱ হৈ ৰাজধানী মছজিদ, গণেশ মন্দিৰেৰে লালগণেশ যাব পাৰিব। পাঞ্জাবাৰীৰ পৰা ধাৰাপুৰ অভিমুখী গাড়ীসমূহ ভিআইপি ৰোড হৈ নুনমাটি, চানমাৰি হৈ যাব লাগিব। হাতীগাঁৱৰ পৰা ধাৰাপুৰ অভিমুখী চিটীবাছ উভতি অহাৰ ক্ষেত্ৰত ধাৰাপুৰ এম জি ৰোড চানমাৰি হৈ গণেশগুৰি উৰণীয়া সেতুৰে চুপাৰ মাৰ্কেট, লাষ্টগেট হৈ হাতীগাঁও চাৰিআলি অভিমুখে যাব লাগিব। আনহাতে দূৰণিবটীয়া বাণিজ্যিক যাত্ৰীবাহী বাছৰ ক্ষেত্ৰত নামনি অসমৰ পৰা অহা বাছসমূহ আদাবাৰীৰ বাছ আস্থানতে ৰখাব লাগিব। উজনি অসমৰ পৰা অহা বাছসমূহ আই এছ বি টি বেতকুছিত ৰখাব লাগিব। তিনিওখন আৰক্ষী জিলাৰ অন্তৰ্গত বিভিন্ন অঞ্চলৰ সৰু-বৰ বাহনসমূহৰ চলাচলৰ ক্ষেত্ৰতো কেতবোৰ নিষেধাজ্ঞা যানবাহন আৰক্ষীয়ে আৰোপ কৰিছে। পূজাৰ কেইদিনত দিনৰ ২ বজাৰ পৰা নিশা ২ বজালৈ এই নিষেধাজ্ঞা বলৱৎ হ'ব। এই নিষেধাজ্ঞা অনুসৰি দিছপুৰ আৰক্ষী এলেকাত বিভিন্ন স্থানত প্ৰৱেশ নিষিদ্ধ এলেকা ঘোষণা কৰি হৈছে। পূজাৰ কেইদিনত জু-ৰোডৰ দিশৰ পৰা দিছপুৰৰ গণেশ মন্দিৰ এলেকালৈ কোনো ধৰণৰ বাহনত প্ৰৱেশত নিষেধাজ্ঞা জাৰি কৰা হৈছে। বশিষ্ঠ আৰক্ষী এলেকাৰ অন্তৰ্গত বিভিন্ন স্থানত যানবাহনৰ চলাচলৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে মহানগৰ আৰক্ষীয়ে। বশিষ্ঠ চাৰিআলিৰ পৰা বেলতলা তিনিআলি দিশলৈ যানবাহনৰ চলাচল বন্ধ কৰা হৈছে। ভৰলুমুখ এলেকাৰ ক্ষেত্ৰতো কেইবাটাও দিশত যানবাহন চলাচলৰ ক্ষেত্ৰত নিষেধাজ্ঞা বলৱৎ কৰা হৈছে। এ টি ৰোড আৰু দীনেশ গোস্বামী পথত কোনোধৰণৰ যানবাহনৰ পাৰ্কিং নিষিদ্ধ কৰা হৈছে। ফটাশিল চাৰিআলিৰ পৰা কুমাৰপাৰা পাঁচআলি অভিমুখে যানবাহনৰ চলাচল নিষিদ্ধ কৰা হৈছে। জালুকবাৰী এলেকাৰ ক্ষেত্ৰত জালুকবাৰী ৰটাৰীৰ পৰা পল্টনবজাৰ, পাণবজাৰ, ফটাশিল আৰু ভৰলুমুখ অভিমুখী সামগ্ৰী কঢ়িওৱা গধুৰ যানবাহনৰ চলাচল নিষিদ্ধ কৰা হৈছে। একেই নিৰ্দেশনা পাণ্ডুঘাট পৰ্যন্ত বাহাল থাকিব। আনহাতে দেৱী বিসৰ্জনৰ দিনাখনো পাণবজাৰ, চানমাৰি, গীতানগৰ, নুনমাটি আৰু লতাশিল থানা এলেকাত যানবাহনৰ চলাচলৰ ক্ষেত্ৰত কেতবোৰ নিধেযাজ্ঞা আৰোপ কৰিছে মহানগৰ আৰক্ষীয়ে।

# পূজাৰ ৰংচঙীয়া মিঠাইয়ে জনজীৱনৰ প্ৰতি নমাইছে ভাবুকি

**ই-সংবাদ, বেবেজীয়া, ৯ অক্টোবৰঃ** শাৰদীয় দুৰ্গা পূজাত কৃত্ৰিম ৰঙেৰে প্ৰস্তুত কৰা বিভিন্ন তৰহৰ ৰংচঙীয়া মিঠাইৰে ভৰি পৰিছে বজাৰ। এনে মিঠাই খোৱাৰ ফলত মানুহৰ জীৱনলৈ চৰম ভাবুকি কঢ়িয়াই আনিব পাৰে বুলি সময়ে সময়ে চৰ্চা হয়। গ্ৰাহকক সহজে আকৰ্ষিত কৰিবৰ কাৰণেই এচাম অসৎ চৰিত্ৰৰ ব্যৱসায়ীয়ে নানা প্ৰকাৰৰ শৰীৰৰ অনিষ্টকাৰী কেমিকেল ব্যৱহাৰ কৰি ৰংচঙীয়াকৈ আৰু লোভনীয় ৰূপত নগাঁও জিলাত হৰেক ৰকমৰ মিঠাই প্ৰস্তুত কৰিছে বুলি জানিব পৰা গৈছে। মিঠাইবোৰ জিলাখনৰ পূজাস্থলীসমূহত সম্পূৰ্ণ মুকলিকৈ অস্বাস্থ্যকৰ পৰিৱেশত বিক্ৰী কৰি থকা দৃষ্টিগোচৰ হৈছে। জিলা খাদ্য পৰিদৰ্শকে আন সময়ৰ উপৰি ঘাইকৈ পূজাৰ বতৰত খাদ্য সামগ্ৰী তৈয়াৰ কৰা উদ্যোগ তথা দোকানবোৰত তীক্ষ্ণ দৃষ্টি ৰাখিব লাগে যদিও তাকে নকৰি ৰহস্যজনকভাৱে এই সময়ছোৱাত কাৰ্যালয়তে বহি দায়িত্ব সামৰাৰ অভিযোগ উঠিছে। অভিযোগ মতে, খাদ্য পৰিদৰ্শকৰ চৰম অৱহেলা আৰু আওকণীয়া মনোভাৱৰ সুযোগ লৈ একাংশ ধূৰ্ত ব্যৱসায়ীয়ে নিম্ন মানৰ বস্তু-সামগ্ৰীৰে কৃত্ৰিম ৰং মিহলাই জেলেপী, বুণ্ডিয়া, নিমকি, খুৰ্মা, বাতাচা, নকুল দানা আদিকে ধৰি বিভিন্ন প্ৰকাৰৰ মিঠাই আৰু অন্যান্য খাদ্য-সামগ্ৰী তৈয়াৰ কৰি গ্ৰাহকক নিৰ্বিঘ্নে বিক্ৰী কৰি আহিছে। অকল ৰঙৰ মিশ্ৰনেই নহয়, খাদ্য সামগ্ৰীসমূহৰ উপযোগিতা তথা মানদণ্ড কিমান সেয়াও সন্দেহজনক। কাজেই, পূজাৰ বতৰত এনে অনুপযোগী আৰু অপুষ্টিকৰ মিঠাই তথা আন



খাদ্য-সামগ্ৰী ভক্ষণ কৰিলে যিকোনো মুহূৰ্ততে গুৰুত্বৰ ৰোগত ভোগাৰ যথেষ্ট সম্ভাৱনা আছে বুলি সচেতন লোকসকলে মন্তব্য কৰিছে। প্ৰকাশ যে, পূজাৰ আনন্দ-উৎসাহৰ গইনা লৈ জিলাখনৰ অসাধু ব্যৱসায়ী চক্ৰই এনে অস্বাস্থ্যকৰ মিঠাইকে ধৰি আন খাদ্য-সামগ্ৰীৰে পূজাৰ বজাৰ উপচাই পেলোৱাত সৰ্বসাধাৰণ ৰাইজ বিপাঙত পৰিছে। ইফালে, খাদ্য-সামগ্ৰী মুকলিকৈ বিক্ৰী কৰাটো নিষেধ যদিও বৰ্তমান পূজাৰ বতৰত বাট-পথৰ কাষতে মুকলিকৈ ক্ৰয়-বিক্ৰয় হৈ থকা কাৰ্যই খাদ্য পৰিদৰ্শকৰ চূড়ান্ত দায়িত্বহীনতাকে উদঙাই দিছে। গতিকে, খাদ্য পৰিদৰ্শকে নিৰ্দিষ্ট স্থানসমূহ পৰিদৰ্শন কৰি সামগ্ৰীৰ গুণগত মান নিৰূপন কৰাৰ লগতে মুকলি পৰিৱেশত খাদ্য-সামগ্ৰী বিক্ৰী কৰাটো বন্ধ কৰিবৰ কাৰণে শীঘ্ৰে কাৰ্যকৰী পদক্ষেপ গ্ৰহন কৰিবলৈ নগৰ্ৰা সচেতন ৰাইজে দাবী জনাইছে।

# মায়াপুৰৰ ইস্কনৰ আৰ্হিৰ পূজা মণ্ডপ

**ই-সংবাদ, দলগাওঁ, ৯ অক্টোবৰঃ** দৰঙৰ খাৰুপেটিয়াতো উলহ মালহেৰে শাৰদীয় দুৰ্গোৎসৱৰ আয়োজন কৰা হৈছে। আজি ষষ্ঠিত বাণিজ্যনগৰী খাৰুপেটীয়াত প্ৰায় অৰ্ধ শতাধিক পূজা মণ্ডপত দেৱী দুৰ্গাক প্ৰতিষ্ঠা কৰা হৈছে। কিনকিনিয়া বৰষুণৰ মাজতেই দেৱী দুৰ্গাৰ আৰাধনা আৰম্ভ হয়। অন্যতম খাৰুপেটিয়া টাইগাৰ ক্লাবৰ পূজা আয়োজক সমিতিয়ে প্ৰতি বছৰৰ দৰে এইবাৰো ব্যতিক্ৰমী মণ্ডপ নিৰ্মাণ কৰিছে। এইবেলি নিৰ্মাণ কৰিছে মায়াপুৰৰ ইস্কন মন্দিৰৰ আৰ্হিৰ মণ্ডপ। বিগত এমাহ ধৰি ১৩গৰাকী শিল্পী ব্যস্ত হৈছিল পূজা মণ্ডপ নিৰ্মাণত। প্ৰতিবাৰেই বিভিন্ন আৰ্হিৰ পূজা মণ্ডপ নিৰ্মাণ ভক্তক আকৰ্ষিত কৰি হৈছে ক্লাৱে। সভাপতি নিৰঞ্জন চাহা আৰু সম্পাদক মাখন চাহাই জানিবলৈ দিয়া মতে এইবাৰ পূজা মণ্ডপ নিৰ্মাণত প্ৰায় ১৩/১৪ লাখ টকা ব্যয় কৰা হৈছে। ইস্কন মন্দিৰৰ আৰ্হিৰ পূজা মণ্ডপত পূজাৰ আনন্দ উপভোগ কৰিবলৈ ভক্তপ্ৰাণ ৰাইজক আহ্বান জনাইছে খাৰুপেটীয়া টাইগাৰ ক্লাব পূজা কমিটিয়ে। বতৰে বিধি পথালি দি পূজাৰ আনন্দ ম্লান কৰিব নেকি তাকে লৈ চিন্তিত পূজা সমিতিসমূহ।

# পৰ্বতঝোৰাত কৃষি জ্ঞান কেন্দ্ৰৰ দুৱাৰ মুকলি

**ই-সংবাদ, পৰ্বতঝোৰা, ৯ অক্টোবৰঃ** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কৃষি উদ্যান শস্য বিভাগৰ মন্ত্ৰী অতুল বৰাই ভাৰ্চুৱেলী ৭ অক্টোবৰত গুৱাহাটীৰ পৰা পৰ্বতঝোৰাৰ বগৰীবাৰীত কৃষি জ্ঞান কেন্দ্ৰ এটা উদ্বোধন কৰিছিল। আজি কেন্দ্ৰটোৰ বিটিআৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰাৰ মহকুমা কৃষি বিষয়াই আনুষ্ঠানিকভাৱে গৃহ প্ৰৱেশ কৰে। দুৱাৰ মুকলি কৰে আজিৰে পৰা সেৱা আৰম্ভ কৰে। মহামায়া কৃষি সম্প্ৰসাৰণ সহায়ক পাৰুল হুছেইনৰ লগতে ভালে সংখ্যক কৃষক আৰু স্থানীয় গণ্যমান্য ব্যক্তিৰ উপস্থিতিত দুৱাৰ মুকলি কৰা হয়। কাৰ্যসূচীত কৃষি বিভাগৰ কোকৰাঝাৰ জিলা কৃষি বিষয়া দিগন্ত থাপ্পা, পৰ্বতঝোৰা মহকুমাৰ কৃষি বিষয়া উৎপল কুমাৰ দাস উপস্থিত থাকে।

# দুৰ্গা পূজা উপলক্ষে নিয়ন্ত্ৰণ কক্ষ স্থাপন তিনিচুকীয়া জিলা প্ৰশাসনৰ



**ই-সংবাদ, ডুমডুমা, ৯ অক্টোবৰঃ** আজিৰে পৰা তিনিচুকীয়া জিলাতো ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হৈছে। জিলাখনত চাৰে তিনি শতাধিক দুৰ্গা পূজা অনুষ্ঠিত হৈছে। পূজা শান্তিপূৰ্ণ আৰু শৃংখলাবদ্ধ ভাৱে অনুষ্ঠিত কৰিবৰ বাবে জিলা প্ৰশাসনে আয়োজক সমিতিসমূহলৈ নীতি-নিৰ্দেশনা জাৰি কৰিছে। সকলো পূজা মণ্ডপত পৰ্যাপ্ত চিচিটিভি কেমেৰা স্থাপন কৰাৰ লগতে যথেষ্ট সংখ্যক স্বেচ্ছাসেৱক নিয়োগ কৰাৰ নিৰ্দেশ দিছে। পথ-যাতায়াত বন্ধ কৰি পূজা আয়োজনৰ অনুমতি প্ৰদান কৰা হোৱা নাই। অসম শক্তি বিতৰণ পকোম্পানী লিমিটেডৰ পৰা প্ৰয়োজনীয় অনুমতি লৈহে আৰু সুৰক্ষাৰ নিয়মসমূহ মানি চলি বিদ্যুৎ সংযোগৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশনা দিয়া হৈছে। জেনেৰেটৰৰ ব্যৱস্থা ৰাখিবলৈও আহ্বান জনোৱা হৈছে। দুৰ্গা পূজা শান্তিপূৰ্ণ আৰু সুৰক্ষিতভাৱে উদযাপনৰ স্বাৰ্থত আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ দিনে-নিশাই কাৰ্যক্ষম হোৱাকৈ এটা  নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। যিকোনো ধৰণৰ আকস্মিক দুৰ্যোগপূৰ্ণ পৰিস্থিতিত তাৎক্ষণিকভাৱে সঁহাৰি দিয়াৰ বাবে দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ অধীনত এই নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। অস্থায়ীভাৱে স্থাপন কৰা এই নিয়ন্ত্ৰণ কক্ষৰ ফোন নম্বৰ দুটি হৈছে ১০৭৭ (মাচুল বিহীন) আৰু ৯৩৯৪৫-৮৫৬২২। যিকোনো দুৰ্যোগজনিত পৰিস্থিতিৰ সৃষ্টি হ'লে এই ফোন নম্বৰত যোগাযোগ কৰিবলৈ তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পালে ৰাইজৰ প্ৰতি আহ্বান জনাইছে। সকলোলৈকে শাৰদীয় দুৰ্গোৎসৱৰ শুভেচ্ছা জ্ঞাপন কৰি এই উৎসৱত শান্তি-সম্প্ৰতি আৰু সামাজিক শৃংখলা বজাই ৰাখি আনন্দ উপভোগ কৰিবলৈ আহ্বান জনাইছে। পূজা উপলক্ষে আৰক্ষী প্ৰশাসনেও নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে।

# আৰক্ষীৰ সন্মুখতে উত্তৰ প্ৰদেশৰ এগৰাকী বিজেপি বিধায়কৰ গালত প্ৰচণ্ড চৰ অধিবক্তাৰ


**লক্ষ্ণৌ, ৯ অক্টোবৰঃ** আৰক্ষীৰ সন্মুখতে উত্তৰ প্ৰদেশৰ এগৰাকী বিজেপি বিধায়কৰ গালত এগৰাকী অধিবক্তাৰ প্ৰচণ্ড চৰক উত্তৰপ্ৰদেশত সৃষ্টি কৰিছে তীব্ৰ উত্তেজনাৰ। লখিমপুৰত সমবায় বেংকৰ নিৰ্বাচনক লৈ বিধায়ক আৰু অধিবক্তাৰ মাজত সূত্ৰপাত ঘটা সংঘাতৰ মাজতে অধিবক্তাগৰাকীয়ে বিধায়কৰ গালত চৰ শোধোৱাৰ অভিযোগ উত্থাপন হৈছে। আৰক্ষীৰ সূত্ৰ অনুসৰি সমবায় বেংকৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিজেপি প্ৰাৰ্থীৰ হৈ মনোনয়ন দাখিল কৰিবলৈ আহিছিল বিধায়ক যোগেশ বাৰ্মা। সেই সময়ত তাত উপস্থিত হোৱা বাৰ কাউন্সিলৰ সদস্য অৱধেশ সিঙে বিজেপি প্ৰাৰ্থীজনৰ মনোনয়ন পত্ৰ ফালি পেলোৱাৰ অভিযোগ উত্থাপন হয়। ইয়াৰ পিছতে বিধায়ক আৰু অধিবক্তাজনৰ মাজত বাক-বিতণ্ডাৰ সৃষ্টি হয়। ক্ৰমান্বয়ে তীব্ৰ ৰূপ ধাৰণ কৰা এই বাক যুদ্ধৰ মাজতে অধিবক্তা অৱধেশ সিঙে বিধায়ক যোগেশ বাৰ্মাৰ গালত চৰ শোধোৱাৰ অভিযোগ উত্থাপন হৈছে। ঘটনাৰ পিছত বিধায়কগৰাকীয়ে কয়, "অৱধেশ আৰু তেওঁৰ সহযোগীসকলে



মোক আক্ৰমণ কৰাৰ সময়ত সেই স্থানত আৰক্ষীও উপস্থিত আছিল। আৰক্ষীয়ে বিষয়টো তৎকালীনভাৱে মোকাবিলা কৰিবলৈ চেষ্টা কৰিছে।" ইয়াৰ পিছত তেওঁ সকীয়াই দিয়ে যে তেওঁক যিদৰে হাৰাশাস্তি কৰা হৈছে, তেওঁক যিদৰে আক্ৰমণ কৰা হৈছে, পৰিণাম ভোগ কৰিব লাগিব  সিঙেও। অন্যহাতে বিধায়কৰ বিৰুদ্ধে প্ৰত্যাভিযোগ আনি অধিবক্তা অৱধেশ সিঙে কয় যে বিধায়কে তেওঁলোকৰ প্ৰাৰ্থীৰ মনোনয়ন ফালি পেলোৱাৰ বাবেহে দুয়ো পক্ষৰ মাজত বিক-বিতণ্ডাৰ সূত্ৰপাত ঘটিছিল। তদুপৰি বিজেপিৰ বিধায়কজনে ঘটনাক অতিৰঞ্জিত কৰি নিৰ্বাচনত প্ৰভাৱ পেলাবলৈ চেষ্টা কৰা বুলিও অভিযোগ উত্থাপন কৰে অধিবক্তাগৰাকীয়ে। প্ৰসংগক্ৰমে সমবায় বেংকৰ নিৰ্বাচনক কেন্দ্ৰ কৰি মঙলবাৰৰ পৰাই আৰম্ভ হৈছিল দুয়োপক্ষৰ মাজত উত্তেজনা। ইয়াৰ পিছতে বুধবাৰে পুৱা এই উত্তেজনাই তীব্ৰ ৰূপ ধাৰণ কৰে।

# দিল্লীত ১১ মহীয়া সন্তানসহ ছিৰিয়াৰ শৰণাৰ্থীক এচিড আক্ৰমণ দুৰ্বৃত্তৰ

**নতুন দিল্লী, ৯ অক্টোবৰঃ** মহিলা কিম্বা যুৱতী নহয়, এইবাৰ দিল্লীত এচিড আক্ৰমণৰ বলি হ'ল ছিৰিয়াৰ শৰণাৰ্থী আৰু তেওঁৰ ১১ মহীয়া পুত্ৰ। পশ্চিম দিল্লীত এগৰাকী ছিৰিয়াৰ শৰণাৰ্থী আৰু তেওঁৰ এমাহিমা পুত্ৰৰ ওপৰত সংঘটিত হোৱাৰ অভিযোগ উঠিছে এচিড আক্ৰমণ। ইফালে এই আক্ৰমণত আঘাতপ্ৰাপ্ত হোৱা ৰাফাত নামৰ ছিৰিয়াৰ শৰণাৰ্থীজনৰ লগতে তেওঁৰ কণমানি পুত্ৰক ছফদৰজঙৰ এখন হাস্পতালত ভৰ্তি কৰোৱা হয়। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে। আৰক্ষীৰ সূত্ৰ অনুসৰি, যোৱা ৩০ ছেপ্টেম্বৰত সংঘটিত হয় এই ঘটনা। ছিৰিয়াৰ শৰণাৰ্থী ৰাফাত, তেওঁৰ পত্নী মাৰিছা আৰু তেওঁলোকৰ ১১ মহীয়া পুত্ৰই বিগত কিছুদিন ধৰি বিকাশপুৰীস্থিত ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী উচ্চায়ুক্তৰ কাৰ্যালয়ৰ বাহিৰত অৱস্থিতি গ্ৰহণ কৰি আছে। ৰাফাতে জানিবলৈ দিয়া মতে দিল্লীৰ এটা কল চেণ্টাৰত কৰ্মৰত আছিল তেওঁ। কিন্তু কিছুদিন পূৰ্বে চাকৰি হেৰুওৱাৰ পিছত সহায় বিচাৰি ৰাষ্ট্ৰসংঘৰ বিষয়াৰ কাষ চাপে। ৰাফাতে কয়, "মই চাকৰি হেৰুওৱাৰ পিছত ৰাষ্ট্ৰসংঘৰ বিষয়াজনৰ সৈতে যোগাযোগ কৰি তেওঁৰ পৰা সহায় বিচাৰো। কিন্তু বিষয়াগৰাকীয়ে সহায় কৰিবলৈ অস্বীকাৰ কৰাত মই শৰণাৰ্থী উচ্চায়ুক্তৰ কাৰ্যালয়ৰ বাহিৰতে পত্নী আৰু পুত্ৰৰ সৈতে অৱস্থিতি লও।" তেওঁলোকে সেই স্থানত থকাৰ সময়তে এচিড আক্ৰমণ সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে। সংবাদ মাধ্যমৰ সন্মুখত ৰাফাতে প্ৰকাশ কৰা মতে, পুত্ৰক কোলাত লৈ পথৰ দাঁতিত থিয় হৈ থকা সময়ত দুজন লোকক কেন লৈ তেওঁলোকৰ ফালে দৌৰি অহা প্ৰত্যক্ষ কৰে। বিপদৰ আশংকা কৰি পুত্ৰক কোলাত লৈ দৌৰি পলায়নৰ চেষ্টা চলায় যদিও ব্যৰ্থ হয়। ৰাফাতে কয়, "মই পলাবলৈ চেষ্টা কৰিছিলো যদিও বেছি দূৰলৈ যাব পৰা নাছিলো। মোৰ আৰু মোৰ ল'ৰাটোৰ ওপৰত কিবা এটা দলিয়াই দিলে। তাৰ পিছতে ছাল জ্বলি যোৱা যেন অনুভৱ হ'ল। সেই স্থানত উপস্থিত থকা কেইবাজনো লোক আৰু অটো চালকক আমাক সহায় কৰিবলৈ অনুৰোধ কৰিলো যদিও কোনেও আগবাঢ়ি নাহিল।" পিছত এজন বাইক আৰোহীয়ে পিতা-পুত্ৰক হাস্পতাললৈ লৈ যায়। জানিব পৰা মতে, এচিড আক্ৰমণৰ ফলত ৰাফাতৰ কণমানি পুত্ৰৰ ডিঙি, চকু আৰু বুকু জ্বলি গৈছে। এই এচিড আক্ৰমণৰ অপৰাধীক কৰায়ত্ব কৰি ন্যায় প্ৰদানৰ দাবী তুলিছে ৰাফাতৰ পত্নী মাৰিছাই।



মহাষষ্ঠীৰ দিনটোত এনেদৰেই সজাই পৰাই তোলা হৈছে কামাখ্যা ধাম

## আৰক্ষীৰ জালত বাইক চোৰ উৎপল

**ই-সংবাদ, শিৱসাগৰ, ৯ অক্টোবৰঃ** শিৱসাগৰৰ ভটীয়াপাৰত থকা এটা নিচামুক্তি কেন্দ্ৰৰ চৌহদৰ পৰা চুৰি কৰি নিয়া এখন ৰয়েল এনফিল্ড বাইকৰ সন্ধানত অভিযান চলোৱা জয়সাগৰ আৰক্ষীয়ে যোৰহাটৰ বৰিগাঁৱৰ পৰা চুৰি বাইকসহ উৎপল দাস নামৰ এটা চোৰক কৰায়ত্ব কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত বাতৰি মতে পৰহি নিশা ভটীয়াপাৰত থকা নিউ লাইফ জি এন ফাউণ্ডেচন নামৰ নিচা মুক্তি কেন্দ্ৰটোৰ চৌহদৰ পৰা চুৰি হৈছিল এ এছ ০৩ ইউ, ১৭২৬ নম্বৰৰ এখন ৰয়েল এনফিল্ড বাইক। নিচামুক্তি কেন্দ্ৰটোৰ স্বত্বাধিকাৰী বিকি কাশ্যপৰ ৰয়েল এনফিল্ড বাইকখন চুৰি হোৱাৰ সন্দৰ্ভত পিছদিনা অৱগত হৈ বিভিন্ন স্থানত বিচাৰ খোচাৰ কৰাৰ লগতে বিয়লি জয়সাগৰ আৰক্ষীক লিখিত অভিযোগ দাখিল কৰিছিল আৰু তাৰ পিছতে আৰম্ভ হৈছিল তদন্তৰ।

# বৰপেটা জিলাত ১৩ অক্টোবৰত ড্ৰাই ডে' ঘোষণা

**ই-সংবাদ, বৰপেটা, ৯ অক্টোবৰঃ** বিজয়া দশমী আৰু শ্ৰীমন্ত শংকৰদেৱৰ জন্ম বাৰ্ষিকী উপলক্ষে বৰপেটা জিলা প্ৰশাসনে এটা দিন ড্ৰাই ডে ঘোষণা কৰিছে। অহা ১৩ অক্টোবৰত (দেওবাৰে) ২৪ ঘণ্টাৰ বাবে ড্ৰাই ডে ঘোষণা কৰা হৈছে। উক্ত দিনটোত হোটেল, ৰাজহুৱা খোৱা ঘৰ, ধাবা, দোকান বা আন যিকোনো ঠাইত ব্যক্তিগত বা ৰাজহুৱা স্থানত সুৰা বিতৰণ, বিক্ৰী নিষিদ্ধ কৰা হৈছে। জিলাখনত অফলাইন-অনলাইন ব্যৱস্থা, হোটেল আৰু কান্ট্ৰী স্পিৰিট শ্বপকে ধৰি সকলো পাইকাৰী গুদাম, আইএমএফএলৰ খুচুৰা দোকান বন্ধ থাকিব বুলি ঘোষণা কৰিছে জিলা আয়ুক্তই। এই নিৰ্দেশ উলংঘা কৰিলে অসম চৰকাৰৰ আবকাৰী আইন ভংগকাৰী ৰূপে দণ্ড দিয়াৰ কথাও উল্লেখ কৰিছে। পূজাৰ সময়ত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ হব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই নিৰ্দেশ জাৰি কৰিছে প্ৰশাসনে।

### মুছলমান ছাত্ৰক পদবী দিয়াক লৈ কেন্দ্ৰীয় নেতা ক্ষুব্ধ হৈছিল বুলি দাবী পদত্যাগী নেতাৰ

# অভিযোগ-প্ৰতিভিযোগ! আছুৰ আমগুৰি আঞ্চলিকৰ সমূহীয়া পদত্যাগ

**ই-সংবাদ, আমগুৰি, ৯ অক্টোবৰঃ** ৰাজ্যৰ হিন্দুত্ববাদৰ উত্থান তথা হিন্দুত্ববাদী চৰকাৰ চলি থকাৰ ফলত সদৌ অসম ছাত্ৰ সন্থাত হিন্দুত্ববাদৰ প্ৰভাৱ পৰিছে নেকি? এই কথা উজনিৰ শিৱসাগৰ আৰু চৰাইদেউ জিলাত ব্যাপক চৰ্চা হ'ব ধৰিছে। কিয়নো আছুৰ শিৱসাগৰ জিলা সমিতিয়ে ইছলামধৰ্মী আৰু বাংলাভাষী যুৱকক আছুৰ পদ দিয়াত খৰ্গহস্ত হৈ আমগুৰি আঞ্চলিক সমিতিক জবাবদিহি কৰাৰ অভিযোগ উঠিছে। ইছলামধৰ্মী যুৱক আৰু বাংলাভাষী যুৱকক আছুৰ নেতৃত্ব প্ৰদান কৰাৰ অভিযোগক লৈ শিৱসাগৰ জিলা আছুৰ অভ্যন্তৰত আৰম্ভ হৈছে হাইভল্টেজ ড্ৰামা। ইতিমধ্যে এনে চৰ্চাৰ মাজতে আজি আমগুৰি আঞ্চলিক সমিতিয়ে সমূহীয়া পদত্যাগ কৰে। আজি শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক অম্লানজ্যোতি মহন্ত, জিলা কাৰ্যনিৰ্বাহক সদস্য নন্দন মালাকাৰে ছাত্ৰ সন্থাৰ মজিয়াৰ পৰা অব্যাহতি লয়। আমগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা জ্যোতিপ্ৰসাদ কলিতা, ৰিতুপল্লৱ হাজৰিকা, সভাপতি বিভূতি গগৈ, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক অভিষেক দোলাকাষৰীয়াৰ লগতে সম্পূৰ্ণ সমিতিয়ে ছাত্ৰ সন্থাৰ প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰে। পদত্যাগৰ সময়ত আমগুৰি সমিতিৰ নেতা-কৰ্মীয়ে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য সমীৰণ ফুকনে মানসিক অত্যাচাৰ চলোৱাৰ অভিযোগ আনে। জানিব পৰা মতে, ৭ অক্টোবৰত আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমীৰণ ফুকন, শিৱসাগৰ জিলাৰ সভাপতি মানৱ হাজৰিকা আৰু সাধাৰণ সম্পাদক দীপাংকৰ শইকীয়াই আমগুৰি আছুৰ নেতৃত্বক জিলা ছাত্ৰ



সন্থাৰ কাৰ্যালয়লৈ মাতি নিছিল। আমগুৰি আছুৰ শ্বহীদ বেদীৰ অৱস্থা শোচনীয় হৈ থকাত জবাবদিহি কৰিছিল। আলোচনাৰ মাজতে আমগুৰি আছুৰ নেতা অম্লানজ্যোতি মহন্ত, জিলা কাৰ্যনিৰ্বাহক সদস্য নন্দন মালাকাৰ, আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি-সাধাৰণ সম্পাদকক জিলা সমিতিৰ নেতৃত্বই অশ্লীল গালি গালাজ কৰাৰো অভিযোগ উঠিছে। শাৰীৰিকভাৱ অপদস্থ কৰিবলৈ উদ্যত হৈছিল বুলি অভিযোগ আনে আঞ্চলিকৰ নেতৃত্বই। কাৰ্যালয়ৰ ভিতৰত কেন্দ্ৰীয় নেতা সমীৰণ ফুকনে ম'ৰাবজাৰ শাখা ছাত্ৰ সন্থা গঠন কৰোতে মুছলমান ল'ৰাক সভাপতি, সাধাৰণ সম্পাদকৰ দায়িত্ব দিয়া হ'ল কিয় আৰু হালোৱাটিং শাখা ছাত্ৰ সন্থা গঠন কৰোতে বেংগলী ল'ৰাক দায়িত্ব দিয়া হ'ল কিয় বুলি প্ৰশ্ন কৰে আঞ্চলিক নেতৃত্বক। এনেদৰে কেন্দ্ৰীয় নেতাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ আনিছে আমগুৰি আঞ্চলিকৰ নেতৃত্বই। বিভিন্ন অশ্লীল গালি গালাজ কৰাৰ লগতে ছাত্ৰ সন্থাৰ মজিয়াত মুছলমান আৰু বেংগলী ল'ৰাক ভৱিষ্যতে কেতিয়াও দায়িত্ব দিয়াতো মানি লোৱা নহ'ব বুলি হুমকি প্ৰদান কৰাৰো গুৰুতৰ অভিযোগ আনিছে আমগুৰি আঞ্চলিকৰ নেতৃত্বই। সদৌ অসম ছাত্ৰ সন্থা যিহেতু জাতি ধৰ্ম নিৰ্বিশেষে সকলো ছাত্ৰ-ছাত্ৰী থকা সংগঠন, এনেদৰে এজন কেন্দ্ৰীয় নেতা আৰু জিলা সভাপতি-সম্পাদকে চূড়ান্ত সাম্প্ৰদায়িক আৰু জাতিগত কথা কোৱাত নাৰাজ হয় আঞ্চলিক সমিতিখন। জিলা সমিতিয়ে কেন্দ্ৰীয় সমিতিক অভিযোগ দি লাভ নাই বুলি ধমক দিয়াত আজি আমগুৰিৰ সকলো বিষয়-ববীয়াই এক সংবাদ মেল সম্বোধন কৰি ৰাজহুৱাকৈ পদত্যাগ কৰাৰ লগতে প্ৰাথমিক সদস্য পদৰ পৰা অব্যাহতি গ্ৰহণ কৰে। সংবাদ মেল সম্বোধন কৰি ছাত্ৰ নেতা অম্লানজ্যোতি মহন্ত, নন্দন মালাকাৰ, বিভূতি গগৈ আৰু অভিষেক দোলাকাষৰীয়াই সম্পূৰ্ণ বিষয়টোত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰী সমিতিৰ সভাপতি উৎপল শৰ্মা আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চৰ্জুন হাঞ্চেৰ হস্তক্ষেপ দাবী কৰিছে। জানিব পৰা মতে, প্ৰায় ডেৰ বছৰ পূৰ্বে জিলা নেতৃত্বৰ বিৰুদ্ধে কেন্দ্ৰীয় সমিতিক অভিযোগ দিছিল আমগুৰি আঞ্চলিক সমিতিয়ে। যাৰ বাবে শ্বহীদ বেদীৰ গইনা লৈ এনেদৰে আখেজ পূৰণ কৰা বুলি কয় প্ৰাথমিক সদস্য পদত্যাগী আঞ্চলিকৰ নেতাসকলে। ইপিনে, শিৱসাগৰ জিলা আছুৱে এক বিবৃতি যোগে শ্বহীদ বেদীক অৱজ্ঞা কৰাৰ অভিযোগত আমগুৰি আঞ্চলিক সমিতিক ভংগ কৰাৰ কথা ঘোষণা কৰি নতুন আহ্বায়ক সমিতি গঠন কৰিছে। তাৎপৰ্যপূৰ্ণভাৱে এই নতুন আহ্বায়ক সমিতিতো পুনৰ ইছলামধৰ্মী যুৱকক স্থান দিয়া দেখা গৈছে। এনে পৰিপ্ৰেক্ষিতত উভয় পক্ষৰ অভিযোগ-প্ৰতি অভিযোগে বিষয়টোক ৰহস্যঘন কৰি তুলিছে।

# বাংলাদেশত হিন্দু নিৰ্যাতনক লৈ উদ্বিগ্ন চিপিআইএম

**ই-সংবাদ, ৯ অক্টোবৰঃ** শাৰদীয় দুৰ্গা পূজাৰ সময়ত বাংলাদেশত ধৰ্মীয় সংখ্যালঘুৰ অধিকাৰৰ ওপৰত আক্ৰমণ হৈ অহাত উদ্বেগ প্ৰকাশ কৰিছে চিপিআইএমে। অসম ৰাজ্যিক চিপিআইএমে আজি প্ৰকাশ কৰা বিবৃতিত কয় যে শেখ হাচিনা চৰকাৰৰ স্বৈৰতান্ত্ৰিক কৰ্মকাণ্ডৰ বিৰুদ্ধে আৰু মুক্তিযুঁজাৰুৰ সতি-সন্ততিৰ বাবে অত্যধিক আসন সংৰক্ষণৰ প্ৰতিবাদত বাংলাদেশত যি ব্যাপক প্ৰতিবাদী ছাত্ৰ আন্দোলনৰ সূত্ৰপাত হৈছিল তাক কেন্দ্ৰ কৰি গণ বিদ্ৰোহ সংগঠিত হয়। পৰিণতিত হাচিনা চৰকাৰৰ পতন হয় আৰু মহম্মদ ইউনুছৰ নেতৃত্বত এখন অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন কৰা হয়। এইখন চৰকাৰে কম সময়ৰ ভিতৰত এখন নিৰ্বাচিত চৰকাৰৰ প্ৰতিষ্ঠাৰ কাৰণে কাম কৰি যাব বুলি ঘোষণা কৰিছে। কিন্তু দেশখনত উদ্ভূত উত্তেজনা আৰু অৰাজকতাৰ সুযোগ লৈ ইছলামিক মৌলবাদী শক্তিবোৰ সক্ৰিয় হৈ পৰিছে। এনে কেতবোৰ সংগঠনৰ আন্তৰ্জাতিক যোগাযোগ আছে। মৌলবাদী শক্তিবোৰে দেশখনৰ ধৰ্মীয় সংখ্যালঘু হিন্দু, বৌদ্ধ, খ্ৰীষ্টানসকলৰ বিৰুদ্ধে প্ৰচাৰ আৰু আক্ৰমণ সংঘটিত কৰিছে। মৌলবাদী শক্তি কিছুমানে আগন্তুক দুৰ্গাপূজা পালন কৰিবলৈ দিয়া নহ'ব বুলি দিয়া হুমকি অত্যন্ত উদ্বেগজনক। চিপিআইএমৰ অসম ৰাজ্যিকে বাংলাদেশৰ মৌলবাদী শক্তিবোৰৰ ধৰ্মীয় সংখ্যালঘু বিৰোধী কৰ্মকাণ্ডৰ তীব্ৰ নিন্দা কৰে। দেশখনৰ হিন্দুসকলে যাতে নিৰ্বিঘ্নে শাৰদীয় দুৰ্গোৎসৱ পালন কৰিব পাৰে সেয়া বাংলাদেশৰ চৰকাৰে নিশ্চিত কৰা প্ৰয়োজন বুলি কয়। দলে ভাৰত চৰকাৰক কূটনৈতিক উদ্যোগ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে যাতে বাংলাদেশত ধৰ্মীয় আৰু জনগোষ্ঠীয় সংখ্যালঘু সকলৰ নিৰাপত্তা আৰু মৌলিক অধিকাৰসমূহ সুনিশ্চিত কৰিব পৰা যায়। উল্লেখ্য যে, এইবাৰো বিগত বৰ্ষসমূহৰ দৰে বাংলাদেশৰ হিন্দু ধৰ্মাৱলম্বী লোকসকলে দুৰ্গাপূজাৰ আয়োজন কৰিছে। কিন্তু দেশখনত বৃদ্ধি পোৱা ইছলামিক মৌলবাদীসকলৰ উগ্ৰ কাম-কাজত অন্তৰ্বৰ্তীকালীন চৰকাৰে দমনত গুৰুত্ব নিদিয়াৰ ফলত পূজা আয়োজনৰ ক্ষেত্ৰত যথেষ্ট বাধাৰ সন্মুখীন হৈছে সংখ্যালঘু হিন্দুসকল।

শেষ পৃষ্ঠা

# ফাইনেলত ব'লব'ম ক্লাব

**ই-সংবাদ, মৰিগাঁও, ৯ অক্টোবৰঃ** মৰিগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ ১০ টাকৈ শক্তিশালী ফুটবল দলৰ অংশগ্ৰহণৰে মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত বিপুলসংখ্যক ফুটবল প্ৰেমী ৰাইজৰ ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে অনুষ্ঠিত হৈ থকা গুনেমাই বৰা আৰু ছাজিৰা বেগম সোঁৱৰণী প্ৰাইজমাণি 'এ' ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাত গ্ৰুপ 'এ'ৰ শীৰ্ষস্থান প্ৰাপ্ত দল হিচাপে ব'লবম ফুটবল একাদশে ফাইনেলত প্ৰৱেশ কৰিছে। ডমাল স্পৰ্টচ ক্লাব আৰু ব'লব'ম ফুটবল ক্লাবৰ মাজত আজি অনুষ্ঠিত গুৰুত্বপূৰ্ণ খেলখনত ব'লব'মৰ খেলুৱৈসকলে ছন্দোবদ্ধ আৰু শক্তিশালী খেল প্ৰদৰ্শন কৰি ডমাল স্পৰ্টচ ক্লাবক ৩-১ গ'লৰ ব্যৱধানত পৰাজিত কৰি গুৰুত্বপূৰ্ণ তিনি পইন্ট লাভ কৰাৰ লগতে ফাইনেলত প্ৰৱেশ কৰাৰ যোগ্যতা অৰ্জন কৰে। অহা ১২ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া ফাইনেল খেলখনত বিগত বৰ্ষৰ চেম্পিয়ন মৰিগাঁও নৱজ্যোতি ক্লাৱে ব'লব'ম ফুটবল একাদশৰ বিপক্ষে অৱতীৰ্ণ হ'ব। আজিৰ খেলখন পৰিচালনা কৰে অসম ফুটবল সন্থাৰ স্বীকৃতি প্ৰাপ্ত ৰেফাৰী নীলমণি শইকীয়া, ইনামুল জুনিয়ৰ, আজিউল্লা খান আৰু ধৰণী ৰাজবংশীয়ে।

# অৱসৰ ল'লে দীপা কৰ্মকাৰে



**নতুন দিল্লী, ৯ অক্টোবৰঃ** অৱসৰ ঘোষণা কৰিছে অলিম্পিকৰ বাবে যোগ্যতা অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা জিমনাষ্ট দীপা কৰ্মকাৰে। ছ'চিয়েল মিডিয়াযোগে আঘাতৰ বাবে অৱসৰ গ্ৰহণৰ কথা ঘোষণা কৰে খেলুৱৈগৰাকীয়ে। এক পোষ্টত তেওঁ কয়, 'বহু চিন্তা আৰু বিচাৰ-বিবেচনাৰ অন্তত মই প্ৰতিযোগিতামূলক জিমনাষ্টিকছৰ পৰা অৱসৰ ল'বলৈ সিদ্ধান্ত লৈছো। এই সিদ্ধান্ত সহজ নহয়। কিন্তু মই ভাবো যে এই সিদ্ধান্তৰ বাবে এয়াই সঠিক সময়।' উল্লেখ্য যে ২০১৬ চনৰ ৰিঅ' অলিম্পিকত দৰ্শনীয় প্ৰদৰ্শন দাঙি ধৰিছিল দীপা কৰ্মকাৰে। কিন্তু মাত্ৰ ০.১৫ পইন্টৰ বাবে পদক লাভত ব্যৰ্থ হয় জিমনাষ্টগৰাকী। অৱসৰৰ কথা ঘোষণা কৰি খেলুৱৈগৰাকীয়ে আৰু কয় যে জনা হোৱাৰে পৰা জিমনাষ্টিক তেওঁৰ জীৱনৰ কেন্দ্ৰবিন্দু হৈ আহিছিল।




অৰ্ধশতক অৰ্জন কৰি দৰ্শকৰ অভিবাদন গ্ৰহণ নীতিশ কুমাৰ ৰেড্ডিৰ, নতুন দিল্লীত বুধবাৰে

## দ্বিতীয়খন টি-২০ত ৮৬ ৰানত পৰাস্ত আলহী দলটো

# বাংলাদেশৰ বিৰুদ্ধে টী-২০ শৃংখলা দখল ভাৰতৰ

**নতুন দিল্লী, ৯ অক্টোবৰঃ** বাংলাদেশৰ বিৰুদ্ধে চলিত টি-২০ শৃংখলা ২-০ ব্যৱধানত দখল কৰিলে যুৱ শক্তিৰে গঠিত টীম ইণ্ডিয়াই। আজি নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত দ্বিতীয় তথা নিৰ্ণায়ক মেচখনত ঘৰুৱা দলটোৱে অনায়াসে ৮৬ ৰানত বিজয় সাব্যস্ত কৰে। পোনতে বেট ধৰি ভাৰতে ৯টা উইকেট হেৰুৱাই ২২১ ৰান সংগ্ৰহ কৰে। এই ৰানৰ মূলতে আছিল নীতিশ কুমাৰ ৰেড্ডী আৰু ৰিংকু সিঙৰ দৰ্শনীয় অৰ্ধশতক। নীতিশ কুমাৰে ৭৪ আৰু ৰিংকু সিঙে ৫৩ ৰান কৰে। আজিৰ এই মেচখনত অসম সন্তান ৰিয়ান পৰাগে দুটা ছিক্সাৰ কোবালেও মাথো ১৫ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। বেটিঙত ব্যৰ্থ হ'লেও অসম সন্তান ৰিয়ানে মেহেদি হাছানৰ ৰূপত এটা উইকেট দখল কৰাৰ উপৰি ফিল্ডিঙত সন্তোষজনক প্ৰদৰ্শন দাঙি ধৰিবলৈ সক্ষম হয়। ভাৰতে বান্ধি দিয়া জয়ৰ লক্ষ্য অনুসৰি কৰি আলহী দল বাংলাদেশে নিৰ্ধাৰিত অ'ভাৰত মাথো ১৩৫ ৰানহে সংগ্ৰহ কৰে। শৃংখলাটোৰ তৃতীয় তথা অন্তিমখন মেচ ১২ অক্টোবৰত হায়দৰাবাদত হ'ব।

শাৰদীয় শুভেচ্ছা

মা দুৰ্গাৰ আগমনত ধৰণী আজি পূণ্যময়। সমূহ অসমবাসী ৰাইজলৈ জনালো শাৰদীয় দুৰ্গা পূজাৰ আন্তৰিক শুভেচ্ছা। শাৰদীয় এই বতৰত পূজাৰ আনন্দৰে সকলোৰে জীৱন হৈ পৰক আলোকিত।



■ ডঃ দয়ানন্দ শ্বাহ
শিক্ষাবিদ, লাহোৱাল, ডিব্ৰুগড়

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)